ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

# OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

# BUDGET SESSION

## VOL. I

**NO. 4**

The 21st March, 1988

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1988

(Budget Session)

Volume—I

No. 4

Dated, the 21st March, 1988

Contents


| | Contents | Pages |
|---|---|---|
| 1. | Questions ... ... ... | 1—53 |
| 2. | Miscellaneous ... ... ... | 53—54 |
| 3. | Calling Attention Notices ... .. | 55—56 |
| 4. | Matter under Rule 301 ... ... | 56—57 |
| 5. | Debates on the Governor's Address ... | 57—88 |
| 6. | Adjournment ... .. ... | 88 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Eighth General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Monday the 21st March, 1988 with the Hon'ble Speaker in the Chair, 17 (Seventeen) Ministers, 12 (Twelve) Ministers of State and 86 (Eighty-six) Members present.

## STARRED QUESTION NO. 41

### Re : Barpeta District Planning Board.

Shri SHEIKH ABDUL HAMID asked:
Will the Chief Minister be pleased to state—

(a) The total approved budget for Barpeta District Planning Board for 1987-88 forwarded to the Planning and Development Department?

(b) The amount finally allocated to the Barpeta District Planning Board for the above period?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ
(ক) বৰপেটা জিলা পৰিকল্পনা পৰিষদ নামৰ কোনো পৰিষদ চৰকাৰে গঠন কৰা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীশেখ আব্দুল হামিদ ঃ— অধ্যক্ষ মহোদয়, বৰপেটা জিলা পৰিকল্পনা পৰিষদ নাই, কিন্তু প্ৰশ্ন হল বৰপেটা মহকুমা পৰিকল্পনা পৰিষদৰ কাৰণে ১৯৮৭-৮৮ চনৰ কাৰণে কিমান টকা দিয়া হৈছে? আৰু দ্বিতীয় প্ৰশ্ন হল যে যিখিনি টকা এতিয়ালৈকে দিয়া হল সেই টকা খিনি বহুতো বিভাগে পোৱা নাই আৰু সেয়ে কাম কৰিব পৰা নাই। মই যোৱা কালি তাৰ পৰা আহিছো সেয়ে গম পাই আহিছোঁ যে শিক্ষা বিভাগ, গড়কাপ্তানী বিভাগ কৃষি বিভাগ আদিত এতিয়ালৈকে কাম একো হোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী। বিত্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি এইটো কিয় হোৱা নাই জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, তেনে কোনো অভিযোগ এতিয়ালৈকে পোৱা নাই। পালে আমি ব্যৱস্থা নিশ্চয় লম।

তৰা চিহ্নিত প্ৰশ্ন নং ৪৩

বিষয়ঃ . ধিং আৰু লাহৰীঘাট সমষ্টিত বানপানীত ক্ষতিগ্ৰস্ত পৰিয়ালৰ পুনৰ সংস্থাপন।

শ্ৰীশ্বহীদুল ইছলামে সুধিছে ঃ

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধিং আৰু লাহৰীঘাট সমষ্টিৰ বানপানীত ক্ষতিগ্ৰস্ত আৰু গড়াখহনীয়াত ক্ষতি হোৱা গৃহহীন পৰিয়ালৰ পুনৰ সংস্থাপন কৰাৰ কাৰণে মাটি দিয়াৰ চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ?

(খ) যদি কৰিছে কিমান ক্ষতিগ্ৰস্ত পৰিয়ালৰ সংস্থাপন আৰু মাটি দিয়াৰ ব্যৱস্থা কৰিছে ?

ৰাজহ মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়ো য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) ঃ আৱশ্যকীয় তথ্যপাতি নগাঁওৰ উপায়ুক্তৰ পৰা বিচৰা হৈছে। কিন্তু এতিয়ালৈ তথ্যপাতি পোৱা হোৱা নাই।

শ্ৰীশ্বহীদুল ইচলাম ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই সুধিব খুজিছোঁ যে ১৯৬০ চনৰ পৰাই অসমত গৰা খহনীয়া হৈ আহিছে। এই ২৮ বছৰে বহু বানপানী হল আৰু চাৰিটা মঠাউৰি ভাগিল আৰু বহু মাটি গৰা খহনীয়াত পৰিল লগতে সেই ঠাই বিলাকৰ বহু মানুহ, বহু পৰিয়াল গৃহহীন হল। সেই মানুহ খিনিৰ কাৰণে এতিয়ালৈকে কোনো পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা নহল। তেওঁলোকে নিজেই পেটৰ জালাত, জীয়াই থকাৰ তাড়নাত চৰ বা অন্য কোনো অঞ্চলত গৈ বসবাস কৰিবলৈ ললেও চৰকাৰে আগতীয়াকৈ উচ্ছেদৰ নটিচ দিয়ে আৰু পিচত তেওঁ-লোকেই আকৌ ত্ৰানকৰ্ত্তা হৈ আকৌ নটিচ উঠাই লয়। এতিয়া কথা হল এ, জি, পি চৰকাৰে এই মানুহখিনিৰ কাৰণে পুনৰ সংস্থাপন কৰিবৰ কাৰণে কিবা ব্যৱস্থা লবনে, আৰু যদি লয় কিমান দিনৰ ভিতৰত লব জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, যোৱা বছৰ বানপানীত পতিত হোৱা মানুহৰ কাৰণে সংস্থাপনৰ ব্যৱস্থা কৰা হৈছিল কিন্তু সম্পূৰ্ণ তথ্য নথকাৰ কাৰণে সঠিক ভাবে মই সদস্য গৰাকীক জনাব নোৱাৰিলো। অৱশ্য আশা ৰাখিছো সদস্য গৰাকীক মই এই বিষয়ে পিচত জনাব পাৰিম।

তৰা চিহ্নিত প্ৰশ্ন নং ৪৪

বিষয় ঃ জৰীপ নোহোৱা গাওঁৰ সংখ্যা।

শ্ৰীদেবেশ্বৰ বৰা য়ে সুধিছে ঃ

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ যিবিলাক গাওঁ বৰ্ত্তমানলৈকে জৰীপ হোৱা নাই সেই গাওঁ সমূহ জৰীপ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ?

(খ) নিম্নতম চাহিদা আৰ্চনি অনুসৰি ভূমিহীন লোকক যি ভূমি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে সেই ক্ষেত্ৰত স্থায়ীভাবে পট্টা দিয়া ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ যিবিলাক গাওঁ এতিয়ালৈ জৰীপ কৰ হোৱা নাই সেইবোৰ গাওঁৰ ভিতৰত যিবিলাক গাওঁ কেডেষ্টল জৰীপৰ উপযুক্ত হৈছে তাত জৰীপ কাৰ্য্য কৰণৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। বৰ্ত্তমানলৈ বিভিন্ন জিলাত ৪২৭ খন গাওঁত কেডেষ্টল জৰীপৰ কাম হাতত লোৱা হৈছে।

(খ) যিবিলাক লোকক মিম্নতম চাহিদা আৰ্চান অনুসৰি মাটি আবন্টন দিয়া হৈছে সেই সকলৰ ভিতৰত স্থায়ীভাবে ঘৰদুৱাৰ সাজি মাটি দখল কৰি থকা আবন্টন প্ৰাপ্তলোক সকলক চৰকাৰৰ ভূমি পট্টন নীতি অনুসৰি মাটি পট্টন দি পট্টা দিয়াৰ ব্যৱস্থা আছে।

শ্ৰীদেবেশ্বৰ বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি চাৰিখন বন গাওঁৰ কথা কলে সেই কিখন ৰাজহ বিভাগৰ অধীনলৈ আনি জৰীপ কৰাৰ ব্যৱস্থা কৰিবনে? লগতে ৰাজহ বিভাগৰ অধীনত যি বিলাক গাওঁ আছে সেই বিলাক জৰীপ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, কিছুমান গাওঁত ইতিমধ্যে জৰীপ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু যিবিলাক গাওঁত জৰীপৰ ব্যৱস্থা কৰা হোৱা নাই সেই গোটেই তথ্যপাতি জিলা কেইখনৰ উপায়ুক্তৰ পৰা পোৱা মতে দিয়া হৈছে। কামৰূপ জিলাৰ ১৪০ খন গাওঁ জৰীপ হোৱা নাই, ১৪ খনৰ জৰীপৰ ব্যৱস্থা কৰা হৈছে। লক্ষীমপুৰ জিলাত জৰীপ নোহোৱা ৭৭ খন গাওঁ আৰু ১৮ খনত জৰীপৰ ব্যৱস্থা লোৱা হৈছে। ধেমাজিৰ ২৮৭ খন আৰু ১০৬ খনত ব্যৱস্থা লোৱা হৈছে। জোনাইত ১৫২ খনত জৰীপৰ ব্যৱস্থা কৰা হোৱা নাই ৯৬ খন গাওঁত ব্যৱস্থা লোৱা হৈছে। ডিব্ৰুগড় জিলাত ৭৬ খন গাওঁত লোৱা হোৱা নাই। তাৰে ১০ খনত ব্যৱস্থা লোৱা হৈছে। কাছাৰত ৩০ খন লোৱা হোৱা নাই ২৪ খনত লোৱা হৈছে। উত্তৰ কাছাৰত ৪৫০ খনৰ ঠাইত ১৫৯ খনত লোৱা হৈছে। মুঠতে ৪২৭ খনত লোৱা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা ঃ— অধ্যক্ষ মহোদয়, অসমত যি কিখন বন গাওঁ আছে তাত পৰ্য্যায়ক্ৰমে জৰীপৰ ব্যৱস্থা কৰা হবনে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, বনগাওঁ বিলাক বন বিভাগে ৰাজহ বিভাগলৈ হস্তান্তৰ কৰিলে নিশ্চয় জৰীপৰ ব্যৱস্থা কৰিব পৰা যাব।

শ্ৰীদেবেশ্বৰ বৰা ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে নিম্নতম চাহিদা অনুসৰি মাট দিয়াৰ ব্যৱস্থা কৰা হব। কিন্তু চিলিং আইনৰ অধীনত যি মাটি দিয়াৰ ব্যৱস্থা আছে সেই ক্ষেত্ৰত কওঁ আমি সিদিনা বাতৰি কাকতত দেখিলো আৰু এনেয়েও শুনি আছো যে কিছুমান চিলিং আইনৰ অধীনৰ মাটি মাটিৰ মালিকক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিছে। তেনে ধৰণৰ এটা ঘটনা অলপতে গুৱাহাটীতে হোৱা বুলি আমি শুনিছোঁ। মন্ত্ৰী মহোদয়ে এই বিষয়ে আমাক জনাবনে?

শ্ৰীবলোভদ্ৰ তামুলী ঃ— অধ্যক্ষ মহোদয়, বন বিভাগত মাটিত কিছুমান কৃষিপাম নিগম খুলিবলৈ লোৱা হৈছিল। সেই মাটিবোৰ জৰীপৰ ব্যৱস্থা এতিয়ালৈকে কৰা হোৱা নাই। সেই বিলাক জৰীপৰ ব্যৱস্থা কৰিবনে?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয় তেনেধৰণে যদি ৰাজহ বিভাগৰ ওচৰত আবেদন কৰে তেতিয়া হলে এইটো কৰিব পৰা যাব।

শ্ৰীহলিৰাম টেৰাং ঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে জৰীপ কৰাৰ ক্ষেত্ৰত আৰু পট্টন দিয়াৰ ক্ষেত্ৰত কিবা চৰকাৰী পলিচি আছে নেকি? ইতিমধ্যে আমি শুনিব পাইছিলো যে ভূমিহীন

আৰু ট্ৰাইবেলক আগতে দিয়া হব কিন্তু কোন বিলাকক পট্টন প্ৰাঅ'ৰিটি বেচিচত দিয়া হয় তেনে কোনো চৰকাৰী পলিচি আছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো। ১৪০ খন গাওঁত দিয়াৰ কথাটোও জানিব পৰা নাই।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) :—গাঁও ১৪০ খন নে ৪১৭ খন আছিল। ধেমাজি, জোনাই আৰু শদিয়াত ইতিমধ্যে জৰীপ কৰিবলৈ যোৱা বছৰেই নিৰ্দেশ দিয়া হৈছিল আৰু কাম চলিছিল যদিও প্ৰয়োজনীয় ষ্টাফ খিনি দিব পৰা নাই। তাৰোপৰি একেৰাহে যোৱা বছৰত পাচবাৰ বানপানী হোৱা কাৰণেও জৰীপৰ কাম বাধাগ্ৰস্ত হৈছে। মাননীয় সদস্য গৰাকীয়ে সোধামতে প্ৰাঅ'ৰিটি বেচিচ থলুৱা লোকৰ ক্ষেত্ৰত আছে। সেই এৰিয়া বিলাক জৰীপ কৰি বিধি মতে পট্টন দিয়াৰ কাৰণে নিৰ্দেশ আগৰ পৰাই আছে।

শ্ৰীমোক্তাৰ হুচেইন :— ১৯৮৬-৮৭ চনত ভূমিহীনৰ এখন তালিকা কৰিছিল যদিও সেই তালিকা মতে আজি পৰ্য্যন্ত পট্টন দিয়া হোৱা নাই? সেই তালিকা বিলাকৰ কি হল মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) :— এই তালিকা বিলাক এতিয়ালৈকে আমালৈ অহা নাই। সেই বিলাক জিলা পৰ্য্যায়ত থাকে আৰু তাত থকা ভূমি উপদেষ্টা কমিটিয়ে পৰীক্ষা-নিৰীক্ষা কৰি আবণ্টন কৰিব পৰা মতে মাটি আৰু আৰ্থিক সাহাৰ্য্য দিয়ে। কিন্তু গোটেই বিলাকক দিব পৰা নহয়।

তৰা চিহ্নিত প্ৰশ্ন নং ৪৫

বিষয় :— যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰ।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে :

বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ এছিদযুক্ত পানীয়ে ওচৰৰ গাওঁ সমূহৰ খেতিৰ পথাৰৰ শস্য নষ্ট কৰাৰ কথা চৰকাৰে জানেনে?

(খ) যদি জানে, ইয়াৰ প্ৰতিকাৰৰ বাবে কি ব্যৱস্থা লৈছে?

শ্ৰীবৃন্দাবন গোস্বামী (বিজ্ঞান, প্ৰযুক্তি আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

যোৰহাট আঞ্চলিক গৱেষণাগাৰৰ পৰা নিৰ্গত হোৱা পানীত এছিদযুক্ত হোৱাৰ কোনো প্ৰমাণ অসম পানীও বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদে পোৱা নাই। কিন্তু আঞ্চলিক গৱেষণাগাৰৰ ওচৰত সাপেৰীয়া গাঁৱৰ খেতি পথাৰৰ শস্য পতান হোৱাৰ অভিযোগ পোৱা হৈছে।

(খ) অসম পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ ও নিয়ন্ত্ৰণ পৰিষদে যোৰহাটত অৱস্থিত আঞ্চলিক গৱেষণাগাৰৰ পৰা নিৰ্গত হোৱা পানীৰ দ্বাৰা ওচৰৰ খেতি পথাৰ নষ্ট হোৱাৰ অভিযোগ ইয়াৰ আগতে পোৱা নাই। পৰিষদে অভিযোগ পোৱাৰ লগে লগে পৰিষদৰ নাজিৰাস্থ কাৰ্য্যালয়ৰ তৰফৰ পৰা অনুসন্ধান কৰা হয় আৰু আঞ্চলিক গৱেষণাগাৰৰ পৰা নিৰ্গত হোৱা পানীৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰা হয়। পৰীক্ষা কৰি এই পানী বিচদযুক্ত বুলি প্ৰমাণ পোৱা নাই। পানীৰ নমুনা সংগ্ৰহ কৰি গুৱাহাটীত থকা মধ্য পৰীক্ষাগাৰত পুনৰ বিশ্লেষণৰ বাবে জমা দিয়া হয়। যি হেতু খেতি পথাৰৰ শস্যৰ অপকাৰ হোৱাৰ অভিযোগ এতিয়া পোৱা গৈছে, পৰিষদৰ তৰফৰ পৰা অসম কৃষি বিশ্ববিদ্যালয়ৰ অনুসন্ধান বিভাগৰ সঞ্চালকক ইয়াৰ কাৰণ অনুসন্ধান কৰিবলৈ অনুৰোধ জনোৱা হৈছে। পৰীক্ষাগাৰৰ নমুনা বিশ্লেষণৰ সম্পূৰ্ণ ৰিপোৰ্ট আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যয়নৰ প্ৰতিবেদন পোৱাৰ পিচতহে অসম পানীও বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

Starred Question No. 46

Sub :—Post of Additional District and Sessions Judge, Silchar.

Shri ABDUL ROB LASKAR asked :

Will the Minister, Law be pleased to state :

(a) Whether the Government is aware that the litigant public are suffering a lot because of the vacant post of Additional District and Sessions Judge, Cachar, Silchar since a long time ?

(b) If so, what steps the Government has taken for posting of an Additional District and Sessions Judge, Cachar, Silchar for the benefit of litigant public ?

(c) Whether the Government is also aware that many cases are pending in the Court of the Additional District and Sessions Judge, Cachar, Silchar ?

Shri SURENDRA NATH MEDHI (Minister, Law) replied :

(a) Yes.

(b) Government has already requested Hon'ble Gauhati High Court to take steps to fill up the post and the same is under consideration of the Hon'ble High Court.

(c) Yes.

Shri ABDUL ROB LASKAR—Mr. Speaker, Sir, may I know from the Hon'ble Minister the reasons for keeping the post vacant since last two years ?

Shri SURENDRA NATH MEDHI, Minister, Law.—Mr. Speaker, Sir, we have repeatedly requested the Hon'ble High Court to recommend names of a Judicial Officer to be appointed as additional District and Sessions Judge but till now no name has come from the Hon'ble High Court. I havc personally met the present Acting Chief Justice on 16th and requested him to immediately recommend some names.

## Starred Question No. 47

### Re : Public Debt of the State.

Shri HOLIRAM TERANG asked :

Will the Chief Minister be pleased to State—

(a) The amount of Public debt of the State in the year 1985-86, 1986-87 and 1987-88 ?

(b) The cumulative Total of the Public Debt till date ?

(c) The average Debt per Session of the State ?

Shri PRAFULLA KUMAR MAHANTA, Chief Minister and Finance Minister replied :

(a) In 1985-86, 1986-87 and 1987-88 the State Government obtained an amount of Rs. 880.79 Crores, Rs. 490.34 Crores and Rs. 1046.76 Crores as Loan from the Govern ment of India and Other Financial Institutions etc., After repayment of the outstanding loans falling due during these years the net public debt liability of the State Government stands at Rs. 337.32 Crores, Rs. 268.07 Crores and Rs. 354.55 Crores in 1985-86, 1986-87 and 1987-88 respectively.

(b) The cumulative total of the net Public Debt till (31st March, 1988) comes to Rs. 2701.40 Crores.

(c) The average Debt per year (taking last three years i. e. 1985-86, 1986-87 and 1987-88) is Rs. 319.98 Crores.

Shri HOLIRAM TERANG—What will be debt burden of the State right now ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :— প্ৰশ্নটো বেলেগ ধৰণে কৰিছিল কাৰণেই উত্তৰটোও সেই ভাবে যুগুতোৱা হৈছিল। মোটামোটি ভাবে ১৩৫০ কোটি টকা হব এই ভাবে।

Shri SHANTI RANJAN DASGUPTA—Sir, whether this includes the loan by the Government Corporation, Boards for which the Government stands guarantee ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) :— এইটো হৈছে ৰাজহুৱা ঋণৰ পৰিমাণ, গেৰেণ্টিৰ কথা বেলেগ।

## Starred Question No. 48

Re : Staff pattern of up-graded districts

Shri RAMENDRA DE asked:

Will the Chief Minister be pleased to state—

(a) Whether all the up-graded districts in the State have been provided with the staff pattern of a district ?

(b) If not, when these districts will be provided with requisite staff for coping with the increased volume of works ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।

মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক শ্ৰীৰমেন্দ্ৰ দে'ৰ তৰা চিহ্নিত ৪৮ নং প্ৰশ্নৰ মাৰফৎ অসমৰ উন্নীত কৰা জিলা কেইখনৰ চাকৰিয়ালৰ গাঠনি /মকৰল তথা বৰ্দ্ধিত চাহিদাৰ বিষয়ে সংশ্লিষ্ট জিলা কেইখনৰ পৰা সবিশেষ বিচৰা হৈছে। কেওখন জিলাৰ পৰা তথ্য-পাতি আহি নোপোৱাত আজি ২১।৩।৮৮ তাৰিখে উত্তৰ দিব পৰা নহল। এই প্ৰশ্নৰ উত্তৰ ২৮।৩।৮৮ তাৰিখলৈকে স্থগিত ৰাখিবলৈ অনুৰোধ কৰা হল।

## STARRED QUESTION NO. 49

Sub : Municipalties under Ad hoc Bodies.

Shri ALTAF HUSSAIN MAZUMDAR asked :
Will the Minister, Municipal Administration be pleased to state —

(a) How many Municipalities of Assam are now under Executive Officers or Ad hoc Bodies (List may be furnished and a copy be placed on the table of the House ) ?

(b) Whether the Government is going to hold Election to Silchar Municipality and other Municipalities, which have no elected bodies ?

(c) The reason for not holding municipal election so long ?

Shri SAHIDUL ALAM CHOUDHURY, Minister, Municipal Administration replied :

(a) Under Executive Officers : One Municipality and One Town Committee.

Under Adhoc Bodies : One Municipal Corporation, 22 Municipal Boards and 39 Town Committees.

(b) The State Government has initiated steps to hold election as early as possible.

(c) In the interest of toning up administrative efficiency including financial administration and inability to complete the process of revision of voters' list.

Shri ALTAF HUSSAIN MAZUMDAR—Mr. Speaker Sir, it appears that the election for the local bodies is not held. Will the Minister state at what time the election can be held? Will it be held soon and if so when? As soon as are vague words.

Shri SAHIDUL ALAM CHOUDHRY, Minister, M.A.D.—Sir, election will be held within this year.

তৰা চিহ্নিত প্ৰশ্ন নং ৫০

বিষয়ঃ বিহদৰৰ চাহ বাগিছাত ধানখেতি।

শ্ৰীপদ্মনাথ কৈৱীয়ে সুধিছে ঃ

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) নাজিৰাৰ বিহদৰৰ চাহবাগিচাৰ শ্ৰমিক সকলে দখল কৰি ধানখেতি কৰা মাটিত প্ৰত্যেক বছৰে নগালোকে আহি তেওঁলোকৰ মাটি হয় বুলি দাবী কৰি ধান কাটি লোৱা কথাটো সত্যনে?

(খ) যদি সচাঁ, এই অঞ্চলত নগাভূমি আৰু অসমৰ মাজত কেনেধৰণে সীমা নিৰ্ধাৰণ কৰা হৈছে?

শ্ৰীধানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাজিৰাৰ বিহদৰৰ চাহ বাগিচাৰ শ্ৰমিক সকলে দখল কৰি থকা খেতিৰ মাটি নগালোকে তেওঁ-লোকৰ মাটি বুলি দাবী কৰা আৰু তাৰ পৰা ধান কাটি নিয়া সম্বন্ধে কোনো ধৰণৰ অভিযোগ ৰাজহ বিভাগে পোৱা নাই।

(খ) অসম আৰু নগাৰাজ্যৰ সীমা সাংবিধানিকভাৱে ১৯৬২ চনৰ নগালেণ্ড ষ্টেট বিধি অনুযায়ী নিৰ্ধাৰণ কৰা হৈ আছে। কিন্তু সেই সীমাৰেখা নগাৰাজ্যই মানি লোৱা নাই বুলি জনা গৈছে।

শ্ৰীপদ্ম নাথ কৈৱী ঃ মাননীয় অধ্যক্ষ মহোদয়, নাজিৰা বিহদৰৰ অঞ্চলৰ পৰা তেনেকুৱা কোনো অভিযোগ পোৱা নাই বুলি মন্ত্ৰী মহোদয়ে কৈছে। মই সিদিনাখন নাজিৰালৈ গৈছিলো আৰু মোৰ লগত

মাননীয় মন্ত্ৰী ডাঙৰীয়াও গৈছিল। মই চাহবাগিছা অঞ্চলত ঘূৰি থাকোতে সেই অঞ্চলৰ কিছুমান মানুহে অভিযোগ দিছিল যে এই মাটি-ঘৰ বিলাক নগাৰ সীমাৰ ভিতৰত পৰে কিছুমান নগা লোকৰ মানুহে অভিযোগ কৰে। কিন্তু পৰম্পৰা ভাবে আমি তাত খেতি কৰি আছো আৰু সেইয়া আমাৰ মাটি। খেতি পকিবৰ সময়ত বা তাৰ আগমুহূৰ্ত্তত নগালোকে আহি দাবী ধৰ্মকি দি ধান আদি শস্য কাটি লৈ যায়। কিছুমানে আধি বুলি কৈ ভগাইয়ো লৈ যায়। গতিকে চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা লব বুলি অনুৰোধ জনালো।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে পিছত জানিব পাৰিব। নাজিৰা অঞ্চলত অসমৰ লগত লাগি থকা অঞ্চলৰ নগালোকৰ সমস্যাৰ বিতং-তথ্যপাতি শিৱসাগৰ জিলাৰ উপায়ুক্তৰ পৰা বিচৰা হৈছে। এই তথ্যপাতি আহি পোৱা নাই। তাবোপৰি সীমা-বিবাদ সম্পৰ্কে অসম চৰকাৰৰ ৰাজনৈতিক বিভাগেহে জনাব পাৰিব।

তৰা চিহ্নিত প্ৰশ্ন নং ৫১

বিষয়:— অসমত ইভাকুই সম্পত্তি।

শ্ৰীবজ্ৰেশ্বৰ সৰুকাৰে সুধিছে:

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত ইভাকুই সম্পত্তি নামৰ কিবা সম্পত্তি থকা কথাটো চৰকাৰৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত তেতিয়াহলে কোন কোন জিলাত কিমান বিঘা ইভাকুই প্ৰপাৰ্টিৰ নামত মাটি আছে সেই মাটি বিলাক বৰ্ত্তমানে কি অৱস্থাত আছে?

(গ) উক্ত ইভাকুই প্ৰপাৰ্টি বিলাকৰ পৰা চৰকাৰে ৰাজহ আদায় কৰি আছেনে?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়।

(খ) আৰু (গ) এই সম্পৰ্কে তথ্যপাতি সংগ্ৰহ কৰি থকা হৈছে।

শ্ৰীবজ্ৰেশ্বৰ সৰকাৰ:— মাননীয় অধ্যক্ষ মহোদয়, ইভাকুই সম্পত্তি মানে কি মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে? উক্ত তথ্য-পাতি কেতিয়ামানে আহি পাব? আৰু উক্ত ইভাকুই সম্পত্তিৰ পৰিচালনাৰ কাৰ্য্যালয় থান কত?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী):— মাননীয় অধ্যক্ষ মহোদয়, ১৯৪৭ চনৰ পাচত অসমত থকা লোক সকল কমিউনিয়েল দিচটাৰবেনশ্যত আগৰ ইষ্ট-পাকিস্তানলৈ গুচি গৈছিল আৰু তাৰ পাচত কমিউনিয়েল দিষ্টাৰবেনশ্যত ইষ্ট-পাকিস্তানলৈ গৈছিল আৰু অসমত থকা সেই স্থায়ী লোক সকলে যি সম্পত্তি এৰি থৈ গৈছিল আৰু সেই সম্পত্তি ৰক্ষা কৰাৰ কাৰণে এখন আইন পাচ কৰিছিল, সেই খন আসম ইভাকুৱেশ্যন প্ৰপাৰ্টি এক্ট ১৯৫১ চন। এই সম্পৰ্কে এটা সময় সীমা বান্ধি দিয়া হৈছিল আৰু এই সময় সীমাৰ ভিতৰত যদি আহে তেতিয়াহলে এই সম্পত্তি ঘূৰাই দিয়াৰ ব্যৱস্থা আছিল। অৱশ্যে ইয়াৰ পিচতো ৩১।১২।৫১ চনলৈ এই কথা বিবেচনা কৰিব পাৰি নেকি চোৱা হৈছিল যদি তেওঁলোকে যথা-যথ নিয়ম মতে বিধি মতে আইন মতে আবেদন কৰে। গতিকে এই সম্পত্তি বিলাক চোৱা চিতা কৰাৰ কাৰণে এখন কাৰ্য্যালয় আছে।

শ্ৰীবহ্নেশ্বৰ চৰকাৰ :—উক্ত কাৰ্য্যালয় খন ক'ত ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— বিশেষকৈ জিলা পৰ্য্যায়ত দি, চিৰ চাৰ্জতে আছে। দি, চিয়ে সেইটো চোৱা-চিতা কৰে।

Shri SANTI RANJAN DASGUPTA: It shows that there is a body but there is no head.

Starred Question No. 52

Re: MEMORANDUM SUBMITTED BY U.M.F. Party.

Shri MUKTAR HUSSAIN asked :

Will the Chief Minister be pleased to state—

(a) Whether the Government is aware of the fact that the U. M. F. party has submitted a memorandum to the Union Home Minister through the Deputy Commis sioners/Sub-Divisional Officers opposing the amendment of the I.M.D. T (Act) 1983 on 15th February 1988 ?

(b) Is it a fact that a delegation came to Sub divisional Officer's Office, Hatsingimari of South Salmara Mankachar Sub division for submitting memorandum ?

(c) If so, whether it is also a fact that no Officer-in-charge was present on that day in the said office ?

Shri PRAULLA KUMAR MAHANTA, Chief Minister, Repied :

(a) Yes.
(b) Yes.

(c) The Executive Magistrate and Election Officer was in-charge of the office on 15th February, 1988.

শ্ৰীমকটাৰ হোচেইন :— মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৩ নং ৰ গ প্ৰশ্নটো আছিল
If so, whether it is also a fact that no officer in-charge was present on that day in the said office.
কোন জন অফিচাৰ ইনচাৰ্জত আছিল সেইটো মোৰ প্ৰশ্ন নাছিল। কিন্তু তাৰ আগদিনা জাননী দিয়া স্বত্তেও আৰু চাব-ডিভিজনেল অফিচাৰক জাননী দিয়া স্বত্তেও কোনো অফিচাৰ সেইদিনা উপস্থিত নাছিল। কাৰণ সেইদিনা তালৈ স্মাৰক পত্ৰ দিবলৈ আহিছিল তাত কোনো ব্যক্তি উপস্থিত নাছিল।

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— বোধহয় সেই দেলিগেশ্যনটো দুপৰীয়াৰ পিচতহে আহিছিল আৰু যিহেতুকে ইলেকশ্যন অফিচাৰ আৰু একজিকিউটিভ মেজিষ্ট্ৰেটৰ দায়িত্বত সেই চাৰ ডিভিজনেল অফিচাৰ জন আছিল আৰু তেওঁ হয়তো আন এটা অফিচত কাম কৰি আছিল।

A. F. GOLAM OSMANI—Sir, lots of public grievans ance generated at lower level and the people as well as the political parties take recourse to submitting memorandams to the District heads, or sub-divisional heads or Block level heads. Sir, when an intimation is given to an officer concerned that a memorandum would be submitted to him, he should be ready to accept it. Sir, it is a sort of media to ventilate the grievances. The highest authority like the Chief Minister would take steps or atleast give some instructions to the officers concerned to be available to receive such memorandum if intimation is given. The district administration should take care of it or depute some officer in future.

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অফিচাৰ জন হয়তো আগবেলা আছিল যদিও পিচবেলা তেওঁ আন এটা অফিচত গৈছিল। তেওঁলোকে আগবেলা অহা হলে পালেহেতেন।

তৰা চিহ্নিত প্ৰশ্ন নং—৫৩

বি : মৰাণ নগৰৰ নগৰ সমিতি

শ্রীকিৰণ কুমাৰ গগৈয়ে সুধিছে :— মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰাণ নগৰত নগৰ সমিটি আছেনে নাই জনাবনে ?

(খ) যদি আছে পৌৰ সভাই নিয়ম মতে কৰ কাটল সংগ্ৰহ কৰি স্হানীয় ভাবে সেৱা মূলক কাম কৰিছে নেকি ?

(গ) যদি পৌৰ সভা গঠন কৰা নাই, তেন্তে চৰকাৰৰ ৰাজহ সংগ্ৰহলৈ লক্ষ ৰাখি অনতি পলমে মৰাণ নগৰত পৌৰ সভা গঠন কৰাৰ ব্যৱস্হা হাতত লবনে ?

শ্রীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নগৰ সমিটি আছে, কিন্তু শিৱসাগৰ জিলাৰ অন্তৰ্ভুক্ত ৰখা হৈছে।

(খ) কৰিছে। নগৰ সমিটি পৌৰ প্ৰশাসন আইনৰ অধীনত গঠিত স্বশাসিত স্হানীয় সংস্হা আৰু ই কৰ-কাটল সংগ্ৰহ কৰি সেৱা মূলক কাম কৰাৰ দায়িত্ব।

(গ) শিৱসাগৰ জিলাৰ অন্তৰ্ভুক্তিত গঠন কৰা হৈছে।

শ্ৰীকিৰণ কুমাৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কৈছে যে শিৱসাগৰ জিলাৰ অন্তৰ্গত নগৰ সমিতি গঠন কৰা হৈছে। কিন্তু মৰাণ খন আধা শিৱসাগৰ জিলাত পৰে আৰু ডিব্ৰুগড় জিলাত পৰে। শিৱসাগৰৰ ফালে যিখিনি পৰিছে তাত আছে কিন্তু ডিব্ৰুগড়ৰ ফালে নাই। ইয়াত এই বিভাগৰ সভাখন নোহোৱা কাৰণে তাত এটা ডাঙৰ মনোপলি বিজিনেচ চলিছে, গতিকে অতি সোনকালে এই নগৰ সমিতি গঠন কৰাৰ কাৰণে ব্যৱস্থা কৰিবনে ?

শ্ৰীস্বহীদুল আলম চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, চেষ্টা কৰা হৈছে আৰু ইতিমধ্যে এইটো ব্যৱস্থা হাতত লোৱা হৈছে।

## STARRED QUESTION NO. 54

### Re : EXPULSION OF FOREIGNERS

Shri ARDHENDU KUMAR DEY asked :

Will the Chief Minister be pleased to state—

(a) Whether as per Government of Assam statement upto the end of December, 1987 and as per 5.8 clause of Assam Accord, 156 foreigners were expelled from Assam ?

(b) If so, to which country those foreigners belonged to ?

Shri PRAFULLA KUMAR MAHANTA Chief Minister, replied :

(a) Yes.

(b) Bangladesh.

Dr. ARDHENDU KUMAR DEY.—I am putting my supplementary to the Question No. (b) first and then I am coming to question No. (a). Sir, Bangladesh Government has already said that there are no Bangladeshies in Assam. If so, the people who have been deported where they have gone ? No. 2, I am very sorry that that the Chief Minister of a State is misleading the House by giving wrong numbers twice. Upto December, 1987 the number of deportees was stated by the Chief Minister as 156 which came out in the newspaper. In the reply to an unstarred question to-day put by Shri Abdul Rob Laskar and Shri Altaf Hossain Masumdar the Chief Minister has stated that 140 foreigners have been doported. May I know from the head of the State which figure is correct ? Whether 156 is correct or 140 is correct and that whether the Chief Minister is misleading not only the House but also the people of Assam ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত :— আকৌ ৰি-ইনফিলট্ৰেশন কৰা খিনিক ধৰা হৈছে।

Dr. ARDHENDU KUMAR DEY.—Sir, it is according to 5.8. of the Accord and not 5. 7. The question of re-infiltrators are governed by 5.7.

Mr. SPEAKER.—You are not allowed to raise any more. (when Dr. Ardhendu Kumar Dey wanted to repeat the question ) order order. You sit down. Now next question.

## STARRED QUESTION NO. 55

Sub : Area affected by the erosion of Brahmaputra.

Shri AMRITLAL BASUMATARY asked :

Will the Minister, Revenue be pleased to state—

(a) What is the area (in hectares) affected by the erosion of the Brahmaputra and its tributories during the year 1986-87 ?

(b) The number of families affected. (figures should be shown district-wise)

(c) Whether there was any scheme of rehabilitating the river eroded people ?

(d) If, so how many families have been rehabilitated during the year 1986-87 ?

(e) If not, why not ?

Shri THANESWAR BORO, Minister, replied :

(a)
(b)
(c)
(d)
(e) Particulars have been called for from the concerned D.Cs, but complete reports have not been received yet.

শ্ৰীঅমৃতলাল বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে পাৰ্টি-কুলাৰচ বিলাক কেতিয়া আহিব আৰু এই বিষয়ে আমি কেতিয়া জানিব পাৰিম বা বাইজে কেতিয়া জানিব পাৰিব ?

শ্ৰীথনেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে গোটেই অসম খনকে সামৰি প্ৰশ্নটো কৰিছে। এই সংক্ৰান্তত গোটেইবোৰ তথ্যপাতি পোৱা নাই। অৱশ্যে ৫ খন জিলাৰ আহিছে। বাকী কেইখন মান জিলাৰ পৰা অহা নাই। এই কাৰণেই সম্পূৰ্ণ ৰিপোৰ্ট দিব পৰা নাই। আশা কৰিছো সম্পূৰ্ণখিনি তথ্য-পাতি আহিলে তেখেত সকলক জনাব পৰা হব।

শ্ৰীহলিৰাম টেৰাং ঃ— মাননীয় অধ্যক্ষ মহোদয়, কেতিয়া দিব পাৰিব ?

মাননীয় অধ্যক্ষ ঃ— কেতিয়া দিব পাৰিব নিৰ্দিষ্ট ভাবে জনাওক ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, গোটেইখিনি তথ্য-পাতি পালে দিব পৰা হব।

তৰা চিহ্নিত প্ৰশ্ন নং ৫৬

বিষয় ঃ—বোকাখাত নগৰত কোষাগাৰ স্থাপন।

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে ঃ— মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৭-৮৮ বছৰত ৰাজ্যত কেইটা উপ-কোষাগাৰ প্ৰতিষ্ঠা কৰা হল আৰু ক'ত ক'ত কৰা হ'ল ?

(খ) বোকাখাতত এটা উপ-কোষাগাৰ প্ৰতিষ্ঠাৰ বিষয়টো কেনে পৰ্য্যায়ত আছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৭৮৮ চনত তিতাবৰত এটা উপ-কোষাগাৰ স্থাপন কৰাৰ অধিসূচনা ইতিমধ্যে জাৰি কৰা হৈছে।

(খ) চৰকাৰী ধনৰ লেনদেনৰ বাবে প্ৰয়োজনীয় মুদ্ৰা চন্দ্ৰক স্থাপন কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুজ্ঞাপত্ৰ নোপোৱা আৰু ৰাষ্ট্ৰীয় বেংকৰ পৰা চৰকাৰী ধনৰ লেনদেন কৰাৰ সম্মতি নোপোৱাৰ বাবেই বোকাখাতত উপ-কোষাগাৰ প্ৰতিষ্ঠা কৰিব পৰা নাই।

শ্ৰীৰামেন্দ্ৰ দে ঃ— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭-৮৮ চনত কেইটা উপ-কোষাগাৰ প্ৰস্তাৱ কৰা হৈছে আৰু এই কেইটা কত কৰা হব ? বদৰপুৰ আৰু পাঠাৰকাণ্ডিত দুটা উপ-কোষাগাৰ প্ৰস্তাৱ কৰাৰ কথা আছিল। এই দুটাও তাৰ ভিতৰত আছে নেকি ? যদি আছে কেতিয়া কৰা হব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সেই দুটা তাৰ ভিতৰত নাই। মই আগতেই কৈছো ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়া অৰু নেচনেলাইজ বেংকৰ চৰকাৰী ধনৰ লেন দেনৰ সম্মতি প্ৰদান লাগে। বিশেষকৈ ষ্টেটবেংক হলে ভাল হয়। সেইটো হলে কৰিব পৰা হব।

শ্ৰীকিৰণ কুমাৰ গগৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, মৰাণৰ ৰাইজে বহুদিনৰ পৰাই এটা উপ-কোষাগাৰ প্ৰতিস্থা কৰাৰ কাৰণে দাবী কৰি আহিছে। এই ক্ষেত্ৰত ব্যৱস্থা লব নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইটো বিবেচনাধীন হৈ আছে। তাত কিমান টকা লেন দেন হয় তাৰ ওপৰত নিৰ্ভৰ কৰিব। তাৰোপৰি ভাৰতীয় বিজাৰ্ভ বেংক আৰু নেচনেলাইজ বেংকৰ পৰা অনুজ্ঞাপত্ৰ আৰু সন্মতি প্ৰদানৰ ওপৰত নিৰ্ভৰ কৰিব।

শ্ৰীআমিনুল ইছলাম ঃ— মাননীয় অধ্যক্ষ মহোদয়, হাট শিঙ্গিমাৰীতো উপ-কোষাগাৰ প্ৰতিস্থা কৰিব লাগে বুলি দাবী উঠিছে। এই উপ-কোষাগাৰ কেতিয়া প্ৰতিস্থা কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে নেচনেলাইজ বেংক থাকিলে ভাল। ষ্টেট বেংক থাকিলে অগ্ৰাধিকাৰ দিয়া হয় আৰু বিজাৰ্ভ বেংক অৱ ইণ্ডিয়া আৰু নেচনেলাইজ বেংকৰ সন্মতি লাগে। ওদালগুৰিৰ আন্তৰাষ্ট্ৰীয় সীমাৰ আঠে কিলোমিটাৰ দূৰত্বত আছে কাৰণে তাত বিবেচনা কৰা হব।

তৰা চিহ্ন প্ৰশ্ন নং ৫৭

বিষয় ঃ অসামৰিক সেৱা পদৰ একত্ৰীকৰণ।

শ্ৰীকুমাৰ দীপক দাসে সুধিছে ঃ

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ ১ম আৰু ২য় বিভাগৰ অসম অসমাৰিক সেৱাৰ পদ বিলাক একত্ৰীকৰণ কৰাৰ বাবে কিবা সিদ্ধান্ত চৰকাৰৰ আছে নেকি?

(খ) যদি আছে, এই কাৰ্য্য কেতিয়া সম্পাদন কৰা হব?

(গ) যদি নাই, একত্ৰীকৰণ কৰাৰ কিবা ব্যৱস্থা লব নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, আছে।

(খ) এই কাৰ্য্য ইং ৩১।১২।৮৯ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীকুমাৰ দীপক দাস ঃ —মাননীয় অধ্যক্ষ মহোদয়, এই কাৰ্য্যত কিমান বিষয়া উপকৃত হব? অসম অসমাৰিক সেৱা ২য় শ্ৰেণীৰ বিষয়া সকলক 'ৰিলিফ' 'ইম্পজ' কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্ৰীকুমাৰ দীপক দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই কাৰ্য্যত কিমান বিষয়া উপকৃত হব? অসম সেৱা (২য় শ্ৰেণী) সস্থাই বিভিন্ন দাবী পূৰণৰ বাবে চৰকাৰৰ ওচৰত আবেদন কৰি আহিছে। দাবী সমূহৰ ভিতৰত প্ৰধানকৈ হৈছে— অসম অসামৰিক (১ শ্ৰেণী) আৰু অসম অসামৰিক (২য় শ্ৰেণী) সেৱাৰ চামিলকৰণ। উক্ত দাবীৰ ক্ষেত্ৰত যোৱা ইং ১১।৩।৮৮ তাৰিখৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয় যে অসামৰিক সেৱা সস্থাৰ (১ম শ্ৰেণী) আৰু (২য় শ্ৰেণী) ৰ চামিলকৰণ ইং ৩১।১২।৮৯ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰা হব। এই ব্যৱস্থা কাৰ্য্যকৰী হোৱাৰ পিচত বৰ্ত্তমানৰ ৩৫২ জন অসামৰিক সেৱাৰ ২য় শ্ৰেণীৰ বিষয়া উপকৃত হব। প্ৰয়োজন সাপেক্ষে সংশোধন কৰিব পৰা হব পাৰে।

## STARRED QUESTION NO. 58

Subject : Kalgachia Revenue Circle

Shri A. F. GOLAM OSMANI asked :

Will the Minister, Revenue be pleased to state.—

(a) Whether there is any proposal to set up permanent office building for Kalgachia Revenue Circle Office which is presently being housed in a rented quarter ?

(b) In which year Kalgachia Revenue Circle of Barpeta District was created ?

(c) Is it a fact that land for the proposed Circle Office has already been earmarked ?

Shri THANESWAR BORO, Minister of Revenue replied :

(a) Yes. There is proposal to set up permanent office building for Kalgachia Revenue Circle, and Finance Department has been moved for sanction of fund of Rs. 10,48,000/- only for the purpose.

(b) The Kalgachia Revenue Circle has been created during 1979-80.

(c) Yes.

Shri A. F. GOLAM OSMANI.—When the Finance was moved for the sanction ?

Shri THANESWAR BORO, Minister. Revenue

The plans and estimates for a Revenue Circle for Kalgachia has been submitted within the month of February.

Shri A. F. GOLAM OSMANI.—Within February of which year ?

Shri THANESWAR BORO, Minister, Revenue February, 1988.

Shri A. F. GOLAM OSMANI.—The proposal was submitted 8 years' back. It appears that the Hon'ble Minister has at long last moved the Finance Department. When he expects the financial sanction ? May I request the Hon'ble Minister to take speedy steps for implementation of the scheme in view of unreasonable delay that has already been made.

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাটি ১৯৮৫ চনতে দিয়া হৈছে। তাৰপিচত এতিয়া ১৯৮৮ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে পি, ডব্লিউ, ডি (বিল্ডিং) ডিভিজনৰ সহায়ত এৱাৰ্ড কৰা হৈছে। সেইটো 'ফাইনেন্সিয়েল স্কীম'ৰ লগত ধৰা হৈছে। মই আশা কৰো এই বছৰত "বিল্ডিঙৰ" কাম আৰম্ভ হব।

শ্ৰীকুমাৰ দীপক দাস :— অধ্যক্ষ মহোদয়, হাউলীত এটা ৰাজহ চক্ৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) :— 'প্ৰপজেল' এতিয়াও আহি পোৱা নাই।

## STARRED QUESTION NO. 59.

Sub : Number of cases lost by the Assam Government.

Shri SANTI RANJAN DASGUPTA asked :

Will the Minister, Law be pleased to state :

(a) Number of cases, the Government of Assam have lost in different Courts during the years 1986-87 and 1987-88 ?

(The District and Sub divssion-wise figures and the case lost in High Court may kindly be given separately).

(b) The amount awarded against each cases against the State and the amount spent for the Advocate by the State ?

Shri SURENDRA NATH MEDHI, Minister, Law replied :

(a) As the information is not available with the Government the District Magistrate and others have been requested to furnish the information but the same has not yet been received from all concerned. However, information will be placed on the table of the House as soon as received.

(b) Does not arise now in view of answer at (a) above

Shri SURENDRA NATH MEDHI, Minister, Law. Sir, the question is not very clear. All over the State there are about 190 courts and there are several types of cases dealt with by these courts. So, I request the Hon'ble Member to recast the question. It is required for us to know in which type of cases, the amount has been spent for Advocate etc. We are to know what type of cases-whether land acquisition, claim or compensation have been meant for giving proper answer, If it is made clear, it will be easier to collect the information. Still we are trying to answer. As the information is not available with the Government, the District Magistrates and others have been requested to furnish the information but the same has not yet been received from all concerned. However, answer will be placed on the table of the House as soon as received.

There are about 190 courts all over the State. If it is mentioned in which type of cases, the Government has lost then it would be very convenient to answer this type of specific question.

Shri A. F. GOLAM OSMANI.—Whether the Minister, Law is aware that due to sheer audacity of the officers concerned, the Government has to suffer heavy damages in various cases? There is some latitude on the part of Government officers. As a senior Advocate of the Gauhati High Court, I think the Minister is aware of the negligence of the officers for which the Government has to pay damages. I would like to know whether it is possible for the Law Minister to intoduce atleast some. sort of law by which the Government may penalise the Government officers for the amount of damages.

Shri SURENDRA NATH MEDHI, Minister, Law—We will assess the information on receipt of the same If some officers are found to be involved, then we will try to take necessary steps against such officers.

Shri A. F. GOLAM OSMANI.—Atleast there should be a provision that wherever it is found that an officer concerned has acted deliberately or he has not applied his discretion properly or judiciously, he will have to be held responsible for such a loss. This will have a salutary offiect on the Government officials. Whether the Hon'ble Minister will consider that aspect also ?

Shri SURENDRA NATH MEDHI, Minister, Law.— There is a rule to take disciplinary action against the officer concerned found guilty.

Shri SANTI RANJAN DAS GUPTA.—I request the Law Minister to consult different grants under the Supplementary Demand charged Head. The Minister will then get the required information. What is the expected time when the Hon'ble Minister can place the required information on the table of the House ?

Shri SURENDRA NATH MEDHI, Minister, Law.— It will be possible to supply during this session. It will take about 4 weeks' time.

Shri ABDUL MUHIB MAZUMDAR.—There are many orders issued by the High Court for implementation by the departments. Similarly, there are cases of contempt of courts and the orders thereon by the High Court for implementation by different departments. Will the Law Minister ask the different departments to implement quickly the orders and judgment of the Court.

Shri SURENDRA NATH MEDHI, Minister, Law.— We will take necessary steps.

## STARRED QUESTION NO. 60

Re : Construction Works of Gossaigaon Sub-Division.

Shri MITHIAS TUDU asked :

Will the Chief Minister be pleased to state —

(a) Is it a fact that the construction works of the various buildings of the Gossaigaon Sub-Division Complex have been very slow ?

(b) If so, the reasons thereof ?

(c) When will the Sub-divisional offices (Civil) will function at the new site ?

শ্রীপ্রফুল্ল কুমাব মহন্ত (মুখ্যমন্ত্রীয়ে) ঃ—উত্তব দিছে ঃ—

(ক) নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) যথা সম্ভৱ ১৯৮৮ চনৰ আগষ্ট মাহৰ পৰা নতুন ঠাইত কাম আৰম্ভ কৰিব পৰা যাব।

শ্ৰীঅমৃতলাল বসুমতাৰী :— মাননীয় অধ্যক্ষ মহোদয়, গোসাই গাওঁ চহৰৰ পৰা মোৰ সমষ্টিত চাব ডিভিজনেলৰ বাবে জাগা লৈছে। এতিয়া কি কাৰণত তাত গোটেই অফিচ বিলাকৰ হেড কুৱাৰ্টাৰ হৈছে? তাৰ ওচৰে পাজৰে কিয় নৈ যোৱা হ'ল? মোৰ সমষ্টিৰ ভিতৰত যি বিলাক অফিচ আছে সেই বিলাকৰ কনষ্ট্ৰাক্‌চন কৰা হব নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এনে মাণ্টাৰপ্লেন পাইছো। সুবিধা হলে চাবলৈ দিব পাৰো মহকুমা ওচৰে পাজৰে হলে এড্‌মিনিষ্ট্ৰেচনৰ কাৰণে সুবিধা হয়। সেই কথাটো জবিত হৈ আছে।

মাননীয় অধ্যক্ষ :— আমাৰ হাতত যিহেতু সময় আছে, এতিয়া আমি তাৰা চিহ্নিত ৪২ নম্বৰ প্ৰশ্নটো আলোচনা কৰিব পাৰো।

মাননীয় ৰাজহ মন্ত্ৰী শ্ৰীবড়ো ডাঙৰীয়া।

## STARRED QUESTION NO. 42:

Sub :—Eviction notice served upon inhabitants of Panbari Habi village.

Shri ABDUL JABBAR asked :

Will the Minister, Revenue be pleased to state.—

(a) Whether notice was served upon the inhabitants of Panbari Habi village under Dalgaon Revenue Circle for eviction ?

(b) If so, when ?

(c) Whether any stay was granted to the inhabitants or not ?

(d) If the answer is yes, when and if not why ?

(e) Since how many years those people have been living there ?

Shri THANESWAR BORO Minister, Revenue replied :

(a) Yes, an encroachment case No. 24/84-85 was instituted on 23rd March 1985 against Shri Abdul Latif

and 37 others of village Panbari Habi under dag No. 1, 2, 4, 9, 32, 52 and 75 comprising an area of 180 bighas 4 kathas 6 lessas under Dalgaon Revenue circle of Darrang District and accordingly notices were duly served to the encroachers concerned.

(b) Yes, on 2nd April 1985 and 3rd April 1985.

(c) Yes, stay orders were granted to the encroachers concerned by the Government.

(d) Yes, dated 2nd May 1985 and 16th May 1985 and as stated in (c) and above.

(e) As per report of the then A.S.O, Dalgaon eviction was carried out twice on this land during 1975 and 1976 and present encroachment took place after that. Actual date is not known.

Shri ABDUL JABBAR.—Sir, although stay was granted to Panbari Habi village, whether any eviction was carried out recently? Whether Minister knows it?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এফেকচন হোৱা কথাটো জনা নাযায়।

Shri ABDUL JABBAR.—Sir, already I have drawn the attention that some houses were evicted by the Government Moreover, others are also being threatened to go out of the place. May I know from the Hon'ble Minister concerned whether any compensation will be given to the persons already evicted and whether any penal measures will be taken against the officers concerned who evicted the persons?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই মাটি বিজয় লক্ষ্মী সমবায় সমিতিৰ নামত আবণ্টন কৰা হৈছিল। গতিকে তাত যি সকলে বেদখল কৰিছে জিলা কৰ্তৃপক্ষই এভিকচন কৰিব পাৰে। আকৌ যদি কাৰোবাক এভিকচন কৰিছেও তেনেহলে ক্ষতিপূৰণৰ প্ৰশ্ন নউঠে।

Shri ABDUL JABBAR.—Sir, Minister has already replied that the Government does not know whether eviction was carried out or not. When eviction is carried out, atleast the persons should be informed and the Government should know it. My question was that when stay was granted and the case was pending, how can the Government evict the persons? It is disregard to the

Government by the officers. So, the officers must be penalised and the persons concerned who were evicted, are liable to get compensation, Sir.

শ্ৰীথানেশ্বৰ বড়ো ঃ— অধ্যক্ষ মহোদয়, এই বিষয়ে মই অনুসন্ধান কৰিব চাম।

শ্ৰীজয়নাথ শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মঙ্গলদৈ মহকুমাত মাটিহীন লোকক মাটি পট্টন দিয়াৰ পাচত চৰ অঞ্চলৰ কেতবোৰ মানুহে উচ্ছেদ কৰাৰ পিচত দখল কৰিছে। বিজয় লক্ষ্মী সমবায় সমিতিক আবন্টন দিয়া মাটি যদি কোনোবাই অন্যায় ভাবে ব্যক্তিগত ভাবে উচ্ছেদ কৰিছিল, বিজয় লক্ষ্মী সমবায় সমিতিক পুনৰ সংস্থাপন কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লব ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, সেই বেদখল হোৱা মাটি ১৯৬৪ চনতে বিজয় লক্ষ্মী সমবায় সমিতিৰ নামত আবন্টন দিয়া হৈছিল। বেদখল হোৱা মাটি উচ্ছেদ হব পাৰে। বিজয় লক্ষ্মী সমবায় সমিতিয়ে সেই মাটি পাবৰ যোগ্য আৰু পাবও।

Shri A. F. GOLA M OSMANI.—Whether the Minister is aware that Bijoy Lakshmi Samabai Samiti is registered or not and whether they went into possession after the allotment in 1964. My information is 29th January 1965. Whether there is already a report in the Revenue Department that the said Society has not gone into possession and the land should be allotted to the persons actually occupying the land and those who were already issued Tauji Bahir status.

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, বিজয় লক্ষ্মী সমবায় সমিতিৰ আবন্টন দিয়া মাটি বেদখল কৰাৰ পিচত অন্যান্য সকলৰ নামত মাটিৰ আবন্টনৰ প্ৰশ্ন নুঠে। বিজয় লক্ষ্মী সমবায় সমিতিৰ নামত বৰ্ত্তমান আবন্টন আছে। অৱশ্যে মই এই বিষয়ে অনুসন্ধান কৰিব চাম।

Shri A. F. GOLAM OSMANI.—Whether the Minister will be kind enough to enquire atleast whether it is a registered co-operative society or not whether in these 20 years other people were occupying the land and they were given Tauji Bahir receipts ?

থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয় ,মই অনুসন্ধান কৰিব চাম।

Shri ABDUL MUHIB MAZUMDER.—Mr. Speaker Sir will the Mtnister, Revenue tell us if a person ,is evicted, where he will go ? Whether they will be allotted any, Government land ?

শ্ৰীথানেশ্বৰ বড়ো ঃ— অধ্যক্ষ মহোদয়, যি সকল মাটি হীন, তেখেত সকলক মাটি আবন্টন দিয়াৰ চৰকাৰৰ ব্যৱস্থা আছে। এম, এন, পি, আঁচনি মতে ঘৰ বান্ধিবৰ কাৰণে এক বিঘা মাটি আৰু আঢ়ৈ হেজাৰকৈ টকা দিয়াৰ ব্যৱস্থা আছে। এই বছৰত দহ হেজাৰ খেতিয়কক মাটি দিয়াৰ ব্যৱস্হ কাৰ্য্যকৰী হৈ আছে। আৰু আঢ়ৈ কোটি টকা অৰ্থ সাহায্য দিয়াৰ ব্যৱস্থা আছে। ভূমিহীন খেতিয়কক আঠ বিঘাকৈ মাটি দিয়াৰ ব্যৱস্থা আছে। যদি কোনোবাৰ যথেষ্ট মাটি আছে, তেতিয়া হলে তেখেত সকলক

মাটি দিয়াৰ আৱশ্যক নাই। তেখেত সকলক খেতি কৰিবৰ কাৰণে মাটি দিয়া সম্ভৱ নহব। দ্বিতীয়তে যদি কোনোবাই সমবায় ভিত্তিত কাম কৰিব বিচাৰে, তেতিয়া হলে তেওঁলোকক মাটি দিব পৰা যায়। কিন্তু ব্যক্তিগত ভাবে যথেষ্ট মাটি দিয়া সম্ভৱ নহয়।

## Unstarred Question No. 52

Subject : Number of pending land acquisition cases.

Shri ABDUL MUQTADHIR CHOUDHURY asked: Will the Minister, Revenue be pleased to state.—

(a) The number of land acquisition cases lying pending since 1953 for finalisation of compensation in Karimganj District ?

(b) Is it a fact that since 1953 land acquisition cases are lying pending for payment of compensation in Karimganj District ?

(c) If so, the action taken by Government for speedy disposal of the pending L. A. Cases since 1953 within Karimganj District ?

Shri THANESWAR BORO, Minister of Revenue, replied :

(a) No land Acquisition (cases) pending since 1953 for finalisation of compensation in the District of Karimganj.

(b) No. but there are few cases where payment of compensation could not be made to the interested persons as they are not turning up to receive payment inspite of due Notices.

(c) Does not arise.

## তৰা বিহীন প্ৰশ্ন নং ৫৩

বিষয় :— চৰকাৰী মাটি বেদখল।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে, সুধিছে :— মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) তিনিচুকীয়া মহকুমাত কিমান চৰকাৰী মাটি বেদখলত আছে ?

(খ) এতিয়ালৈকে কিমান চৰকাৰী মাটি পুনৰ ৰাজহ বিভাগলৈ অনা হৈছে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ডিব্ৰুগড় জিলাৰ উপায়ুক্ত আৰু তিনিচুকীয় মহকুমাধিপতিৰ পৰা এই সম্পৰ্কত বিতং তথ্য বিচৰা হৈছিল। কিন্তু এতিয়ালৈ প্ৰতিবেদন আহি নেপালেহি। প্ৰতিবেদন পালে এই সম্পৰ্কে পাছত জনাব পৰা হব।

## UNSTARRED QUESTION NO. 54.

Sub : Municipal election of Tinsukia Town.

Shri SHIO SHAMBHU OJHA asked :

Will the Minister, Municipal Administration be pleased to state—

(a) Whether the Government has decided to hold Municipal Election at Tinsukia town ?

(b) If so, when it will be held ?

(c) The reasons for the delay in holding the election ?

Shri SAHIDUL ALAM CHOUDHURY, Minister of Municipal Administration, replied :

(a) & (b) The State Government has initiated steps to hold election in all Municipal Boards including Tinsukia and Town Committees as early as possible.

(c) In the interest of toning up administrative efficiency including financial administration and inability to complete the process of revision of voters list.

## UNSTARRED QUESTION No. 55

Re : Creation of Ramkrishana nagar Subdivision with Head Quarter at Harinagar.

KUMARI RABIDAS, asked.

With the Chief Minister be pleased to state—

(a) Whether it is a fact that the declaration of Ramkrishna Nagar Subdivision (civil) with its Head Quarter at Harinagar was made by the Government long ago ?

(b) Whether representation in this regard have been submitted by the people of this backward area to the present Government ?

(c) If so, the action taken by the Government on this long pending demand ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :—মহোদয়ে উত্তৰ দিছে :—

(ক) হৰিনগৰক মহকুমাৰ সদৰ হিচাবে ৰামকৃষ্ণ নগৰ মহকুমা (অসামৰিক) ঘোষণা কৰা হোৱা নাই।

(খ) এই বিষয়ে ৰাইজৰ পৰা নিবেদন পোৱা হৈছে।

(গ) বিষয়টো বৰ্ত্তমান চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

তৰা বিহীন প্ৰশ্ন নং— ৫৭

বিষয় :— অসম লোক সেৱা আয়োগৰ প্ৰতিবেদন।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম লোক সেৱা আয়োগে বছৰেকীয়া প্ৰতিবেদন সদনত কিমান চনলৈকে দাখিল কৰিবলে ?

(খ) আজি কেইবা বছৰো ধৰি সদনত অসম লোক সেৱা আয়োগৰ প্ৰতিবেদন দাখিল নকৰাটো সচাঁ নে ?

(গ) যদি সচাঁ তেতিয়াহলে ই ভাৰতীয় সংবিধানৰ ৩২৩ অনুচ্ছেদৰ ২ ধাৰা উলংঘা কৰা হৈছে নেকি ?

(ঘ) সংবিধানৰ পবিত্ৰতা ৰক্ষাৰ বাবে আয়োগে প্ৰতিবেদন দাখিল কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম লোক সেৱা আয়োগৰ বছেৰেকীয়া প্ৰতিবেদন সদনত ইং ১৯৭১-৭২ চনলৈকে দাখিল কৰা হৈছে।

(খ) হয়।

(গ) উলংঘা কৰা হোৱা নাই।

(ঘ) আয়োগে দাখিল কৰা প্ৰতিবেদন বিলাকৰ আৱশ্যকীয় তথ্যপাতিবোৰ সংশ্লিষ্ট বিভাগ বিলাকৰ পৰা বিচৰা হৈছে। এইবোৰ তথ্যপাতি সম্পূৰ্ণ ভাবে পোৱাৰ পিছতহে সদনত পেচ কৰিব পৰা হব।

Unstarred Question No. 58

Subject : Number of Tribunal in the State.
Sri ABDUL ROB LASKAR asked:

Will the Chief Minister be pleased to state—

(a) Number of Tribunals in the State for determining the illegal migrants,

(b) Total numbers of the cases disposed of by each Tribunal so for,

(c) Total numbers of the illegal migrants determined by each of the Tribunal,

(d) Total numbers of the cases pending under each of the Tribunal,

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) replied :

(a) 18 (eighteen) Nos.

(b) Nos of cases disposed of Tribunal-wise are—

| | | |
|---|---|---|
| (1) | Dhubri | 199 |
| (2) | Goalpara | 50 |
| (3) | Kokrajhar | 51 |
| (4) | Guwahati | 198 |
| (5) | Mongaldoi | 27 |
| (6) | Tezpur | 58 |
| (7) | North Lakhimpur | 3 |
| (8) | Nagaon | 65 |
| (9) | Jorhat | 2 |
| (10) | Diphu | 11 |
| (11) | Silchar | 89 |
| | Page | 753 |

(c) Total numbers of illegal Migrants determined Tribunal-wise are—

| | | |
|---|---|---|
| (1) | Dhubri | 314 |
| (2) | Goalpara | 94 |
| (3) | Kokrajhar | 42 |
| (4) | Guwahati | 43 |
| (5) | Mongaldoi | 38 |
| (6) | Tezpur | 130 |
| (7) | North Lakhimpur | 1 |
| (8) | Nagaon | 163 |
| (9) | Jorhat | 2 |
| (10) | Diphu | 10 |
| (11) | Silchar | 62 |
| | Total | 899 |

(d) Total numbers of case pending Tribunal wise are—

| | | |
|---|---|---|
| (1) | Dhubri | 240 |
| (2) | Goalpara | 1242 |
| (3) | Kokrajhar | 761 |
| (4) | Guwahati | 612 |
| (5) | Mongaldoi | 644 |
| (6) | Tezpur | 467 |
| (7) | North Lakhimpur | 2777 |
| (8) | Nagaon | 913 |
| (9) | Jorhat | 837 |
| (10) | Diphu | 118 |
| (11) | Silchar | 427 |
| | Total | 9038 |

Unstarred Question No. 59

Subject : Number of persons screened under Foreigners Act, 1946.

Shri ABDUL ROB LASKAR
Shri ALTAF HUSSAIN MAZUMDAR | asked :

Will the Chief Minister be pleased to state—

(a) How many persons were screened under Foreigners Act, 1946 and how many persons were referred to Foreigners Tribunal and how many persons were declared foreigners under Foreigners Act, 1946 up-to-date ?

(b) How many persons were screened and how many persons were declared foreigners and deported from Assam up-to-date since Assam Accord ?

Shri PRAFULLA KUMAR MAHANTA, Chief Minister, replied :

(a) Enquiries against 3,85,103 persons have been initiated under Forelgners' Act, 1946 till 29th February, 1988. Out of these, 21,501 enquiries have been referred to the Foreigners' Tribunals for opinion. The Tribunals have declared 3,854 persons as foreigners of 1966-71 stream.

(b) Since Assam Accord, 1,17,472 enquiries have been initiated under I.M. (D) T. Act, 1983. Out of these, 639 persons have been declared as Illegal Migrants and 140 persons have been deported.

## Unstarred Question No. 61

Subject : Money Lending in Rural areas.

Shri HOLIRAM TERANG asked :

Will the Chief Minister be pleased to state—

(a) The number of persons possessing permits for money lending in both rural and urban areas ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৩২০ জন।

## Unstarred Question No. 62

বিষয় ঃ করিমগঞ্জ চহরর পুলিশের গুলীর তদন্ত।

শ্রীরামেন্দ্র দে জিজ্ঞাসা করিয়াছেন ঃ

মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) ১৯৮৬ ইংরাজীর ২১ শে জুলাই করিমগঞ্জ শহরে একজন পুলিশ কর্ম্মচারীসহ তিনজন সাধারণ লোক পুলিশের গুলীতে মারা যায়। এই ঘটনায় তদন্তর জন্য প্রশাসনীক তদন্ত বসানো হয়েছিল কি ?

(খ) যদি বসানো হয়ে থাকে তবে তদন্ত রিপোর্ট চরকারের নিকট পৌচেছে কি ?

(গ) যদি পৌছে থাকে তদন্ত কমিটির অভিমত কি ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

চৰকাৰে শিক্ষক-শিক্ষয়িত্ৰী সকলে ঘৰুৱা শিক্ষক শিক্ষয়িত্ৰী হিচাবে কাম কৰাতো সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া সম্পৰ্কে এতিয়াও চিন্তা কৰা নাই কিয়নো ইয়াৰ লগত ভালেমান সমস্যা জড়িত আছে। চৰকাৰে বৰ্ত্তমান বিদ্যালয় সমূহত যাতে পাঠ্যক্ৰম অনুযায়ী শৈক্ষিক বছৰৰ ভিতৰতে পাঠদান সম্পূৰ্ণ হয় সেই কথাতহে অধিক গুৰুত্ব দিছে। এই সম্পৰ্কত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ চুপাৰিশ অনুযায়ী শিক্ষক-শিক্ষয়িত্ৰী সকলৰ দায়বদ্ধতা (একাউন্টেবিলিটি) নিৰূপণ কৰাৰ ব্যৱস্থা সম্পৰ্কেও ব্যৱস্থা লবলৈ দিহা কৰিছে।

Mr. SPEAKER—Now Debate on Governor's Address. Hon'ble Member, Shri Deba Kumar Bora to resume has speech.

## DEBATES ON GOVERNOR'S ADDRESS

শ্ৰীদেৱ কুমাৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা শুকুৰবাৰে আলোচনা হোৱা ৰাজ্যপাল মহোদয়ৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত সমৰ্থন জনাই মই মোৰ আধৰুৱা বক্তব্য সম্পূৰ্ণ কৰিব বিচাৰিছো। অসম চুক্তি ৰূপায়ণৰ কথাটোত মোৰ ফালৰ পৰা চৰকাৰক কেতবোৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। তাৰ পাচৰ দফাত কৰ খুজিশো সীমান্ত সম্পৰ্কত ভাষণত উল্লেখ কৰা সেই ক্ষেত্ৰত চুবুৰীয়া ৰাজ্যৰ লগত সম্পৰ্ক ৰক্ষা কৰা ক্ষেত্ৰত চৰকাৰে আপোসমূধীয়া যি প্ৰচেষ্টা লৈ আহিছেই অব্যাহত থাকক। তাৰ লগতে মই আশা ৰাখিছো চৰকাৰে সীমান্তবৰ্ত্তী এলেকা সমূহৰ উন্নয়নৰ ক্ষেত্ৰত খীপ্ৰভাবে অ.ৰু অধিক মঞ্জুৰী দি যিখিনি উন্নয়ন মূলক কামৰ ব্যৱস্থা কৰিব লগীয়া আছে সেইখিনি খীপ্ৰভাবে ৰূপায়ণ হলে ভাল হয়। মই জনাত যিবিলাক জিলাত ইতিমধ্যে অনুদান দিয়া হৈছে সেই অনুদান সমূহ কামত লগাওতে জিলা কৰ্ত্তৃপক্ষ সমূহ যিমান খিনি দ্ৰুত গতিৰে কামত আগবাঢ়িব পৰা নাই যাব পৰিপ্ৰেক্ষিতত সীমান্তত স্থাপিত হোৱা বিভিন্ন লোক সকলৰ সা-সুবিধাৰ অভাৱ। সেই অঞ্চল সমূহত অন্যান্য নিৰাপত্তা মূলক কথাৰ ভিত্তিত তেওঁলোক তাৰ পৰা আতৰি আহিব লগা হয়। সেই কাৰণে তাত নিম্নতম জীয়াই থাকিবলৈ যিখিনি ব্যৱস্থা লাগে সেই খিনিৰ অভাৱ। যেনে—খোৱা পানী, বিজুলী বাতি, আদি সা-সুবিধাৰ অভাৱ। সেইখিনি নোহোৱাৰ কাৰণে সংস্থাপিত হোৱা লোক সকল আতৰি অহাৰ মনোভাব পোষণ কৰে। এই বিষয়ত আমাৰ চৰকাৰ এখন বিশেষ আচনি যুগত কৰিছে যি খন আচনি ইয়াৰ আগৰ চৰকাৰে কাৰ্য্যকৰি কৰাত আগ্ৰহ প্ৰকাশ কৰা নাছিল। মই জনাত সীমান্ত এলেকাৰ উন্নয়ন

মূলক কামৰ নামত ডেৰ কোটি টকা ধৰা হৈছে। ই সীমান্তবৰ্ত্তী ৰাইজৰ মনত উৎসাহ জন্মাইছে। ভৱিষ্যতে চৰকাৰে অধিক বিত্তিয় নিৰ্দ্ধাৰণ কৰি অধিক মনোগ্ৰাহী ব্যৱস্থাৰে সীমান্তৱৰ্ত্তী এলেকাত থকা ৰাইজক সহায় কৰিব বুলি আশা ৰাখিছো। ইতিমধ্যে আমি গম পাও যে, সীমান্তবৰ্ত্তী অঞ্চলত অন্যান্য চুবুৰীয়া ৰাজ্যই বিজুলি বাতিৰ ক্ষেত্তত কিছুমান ৰাজনৈতিক কাৰনত কিছুকাম কৰি আছে। অসমৰ সীমাৰ ভিতৰত দ্যোতিকৰণৰ লাইন আনি সেই সীমা সমূহ যাতে বিতৰ্কিত হৈ থাকে তেনে কাম কৰি আছে। আমাৰ বিদ্যুত বিভাগে নিজৰ সীমান্তৰ ভিতৰত বৈদ্যুতিকৰণৰ কমি সম্পূৰ্ণ কৰি তুলিলে অন্যান্য ৰাজ্যৰ ফালৰ পৰা ব্যাঘাট জন্মোৱা কাম থিনি অসম্ভৱ হৈ উঠিব। এই বিষয়তু চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো। ইতিমধ্যে অসমৰ এলেকাৰ বিভিন্ন অঞ্চলত সেই ধৰণৰ চুবুৰীয়া ৰাজ্যৰ বিদ্যুত পৰিষদে কিছুমান খুটা পেলাই সেই সমূহত লাইন দিয়াৰ ব্যৱস্থা কৰি আছে। সেইখিনি বাধা দিয়া উচিত হব।

কৃষিৰ ক্ষেত্ৰত ১৯৮৮-৮৯ বছৰটো কৃষি বৰ্ষ হিচাবে পালন কৰাৰ কথা কৈছে। ই বৰ উত্সাহ জনক কথা হব। এই সম্পৰ্কত কি বিশেষ আচঁনি লব তাৰ ঘোষনা পত্ৰ দিলে ভাল হব খাৰুৱা তেলৰ ৰয়েলিটিৰ কাৰণে ১৯২ টকাৰ পৰা ৩৪০ টকালৈ বৃদ্ধি কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই আছে। কিন্তু দাবী জনালে কি হব। এখন কাণেৰে শুনি আনখনেৰে উলিয়াই দিয়ে। গতিকে নতুন ব্যৱস্থা কৰিলে ভাল হয়। গুজৰাট চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰয়েলিটি বিছাৰি বিশেষ ব্যৱস্থা কৰিছিল। সেই ব্যৱস্থা হল, চুপ্ৰিম কোৰ্টত এখন আবেদন দাখিল কৰি তাৰ বিপৰীতে খাৰুৱা তেলৰ ৰয়েলিটি বায় পাইছে। ইয়াৰ ক্ষেত্ৰত ২২ কোটি টকা গুজৰাট চক্কাৰক পৰিশোধ কৰিব লগা হয়। একে ধৰণৰ প্ৰস্তাৱ লোৱাৰ সময় হৈছে। কাৰণ কেন্দ্ৰীয় চৰকাৰে ৰয়েলিটিৰ ক্ষেত্ৰত কানষাৰ দিয়া নাই। সম্পদ বৃদ্ধিৰ আহিলা হিচাবে খাৰুৱা তেলৰ যোগেদি সম্পদ বৃদ্ধি কৰণৰ ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব। ইয়াৰ ক্ষেত্ৰত ২২কোটি টকা গুজৰাট চক্কাৰক পৰিশোধ কৰিব লগা হয়। একে ধৰণৰ প্ৰস্তৱ লোৱাৰ সময় হৈছে। কাৰণ কেন্ডীয় চৰকাৰে ৰয়েলিটিৰ ক্ষেত্ৰত কানষৰ দিয়া নাই। সম্পদ বৃদ্ধিৰ আহিলা হিচাবে খাৰুৱা তেলৰ যোগেদি সম্পদ বৃদ্ধি কৰণৰ ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব। মই আশা ৰাখিছো আগন্তুক বছৰত প্ৰক্কতাৰৰ বিপৰিতে চুপ্ৰিম কোৰ্টত একেধৰণৰ কেচ যুগুত কৰি যিখিনি বায় লাগে সেইখিনি আনি খাৰুৱা তেলৰ ৰয়েলিটি বৃদ্ধ কৰাৰ সুব্যৱস্থা লব। ৰাজ্যপালৰ ভাষণত আবুৰুত ভাল ভাল কাম আছে সেইখিনি লিপিবদ্ধ কৰিব লগা হলে ই গধুৰ হব। কোনো কোনো ভাল বিষয় ইয়াত উল্লেখ হোৱা নাই তাৰ ভিতৰত কব খুজিছো যে ১৯৪৮ চনৰ প্ৰাথমিক বিদ্যালয়ৰ বৃত্তিৰ মূল্য ৫ টকা হিচাবে ১৯৮৬ চনলৈকে চলি আছিল। চীন দেশত প্ৰতিকিলো চাউলত দুটকা আছিল আৰু ১৯৮৭ চনতো দুটকা সেই বুলি কংগ্ৰেছ চৰকাৰে কাম কৰাত ৰাইজে উৎসা পাইছে। অন্যান্য দিশত যি খিনি ব্যৱস্থা পাইছে যথেষ্ট খিনি আলোচনা হোৱা নাই। স্বাস্থ্যৰ ক্ষেত্ৰত ব্যাপক আচঁনি কাৰ্য্যকৰি কৰা হৈছে। যোৱা বছৰত ৫০ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মাণৰ কাৰ্য্য ভিতৰুৱা অঞ্চলত চলি আছে। যোৱা বছৰ ১০০০ জন ডক্তৰ গামাঞ্চলত নিয়োগ কৰা হৈছে। সেই ধৰণে চাৰে সাত হাজাৰ প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণৰ অনুদন দিয়া হৈছে আৰু ৰাইজৰ সহযোগত উন্নত মানদণ্ডৰ গৃহ নিম্মাৰ্ণৰ কাম চলি আছে। সেয়ে চৰকাৰৰ প্ৰতি ৰাইজৰ আস্থা দিনে দিনে বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। ৰাজ্যপালৰ ভাষণত যিখিনি কথা উল্লেখ কৰা হৈছে ই আদৰণীয়। ভৱিষ্যতে অধিক কাম হওক আৰু অসমৰ ৰাইজৰ আশা আকাংশা পুৰণ কৰা ক্ষেত্ৰত এখন নতুন অসম গঢ়া ক্ষেত্ৰত চৰকাৰৰ বাস্তৱমুখী দৃষ্টি ভঙ্গীৰ কাৰ্য্যসূচী সহায়ক হওক। এইখিনি কৈ ধন্যবাদসূচক প্ৰস্তাৱটোৰ সমৰ্থন জনাই বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীগোলোক ৰাজবংশী :—** মাননীয় উপাধ্যক্ষ মহোদয়, মই সিদিনা বক্তৃতা দিওঁতে উল্লেখ কৰিছিলো আজি অসমত এটা অস্থিৰতা অৱস্থাই দেখা দিছে, কিয়নো কোন অসমীয়া সেই প্ৰশ্ন লৈয়ে। অসমত বিভিন্ন ভাষা, বিভিন্ন জাতি-উপজাতিৰ লোক আছে। তেওঁলোক -অতীজৰে পৰা পিচপৰি আছিল বুলি ধাৰণা কৰা হয় যদিও আজি কালি শিক্ষাৰ প্ৰসাৰৰ লগে লগে এই পিচপৰি থকা শ্ৰেণী সকলৰ মাজত শিক্ষিত সংখ্যা বাঢ়ি গৈছে। তেওঁলোকৰ নিজৰ মনত নিজৰ ভাষা, নিজৰ কৃষ্টি, নিজৰ সাংস্কৃতিক উন্নতিৰ কাৰণে এটি ভাৱৰ জাগ্ৰত হল। এই জাতি-উপজাতি, ভাষিক বা কৃষ্টি তেওঁলোকৰ মাজত অসমীয় ভাষাটো এনেদৰে জাপি দিয়া হল যে যাৰ ফলত তেওঁলোকে আজি যিটো ভাষা গ্ৰহণ

কৰি আহিছিল সেইটোত বিৰোধীতা কৰিলে। এই বিৰোধীতাৰ অন্তৰালত চৰকাৰে কয় যে কোনো বা ন্যস্ত ৰাজনৈতিক দলৰ ইয়াত হাত আছে। এই ধৰণৰ ব্যাখ্যা দিয়াটো তেওঁলোকৰ আজিৰ কৰ্ত্তব্যত পৰিণত হৈছে। কিন্তু আজিৰ দিনত এই পিচপৰা শ্ৰেণী সকল যথেষ্ট সতৰ্ক হৈছে, সচেতন হৈছে। তেখেত সকলক শিক্ষিত হৈছে আৰু বহু ক্ষেত্ৰত আমাতকৈ বৰং আগবাঢ়ি যোৱাটোহে পৰিলক্ষিত হৈছে। আজি অসমীয়া ভাষাৰ যিটো ফ'ৰমুলা গ্ৰহণ কৰা হৈছে, সেই ফ'ৰমুলা যদি অকল অসমীয়া মানুহখিনিয়েই যদি অসমীয়া বুলি ভাবে তেনেহলে জ্যোতিপ্ৰসাদ আগৰৱালা মাৰোৱাৰী হৈয়ো অসমীয়া হব নোৱাৰিলে-হেতেন। সেইদৰে ছবিলাল উপাধ্যায় নেপালী হৈয়ো অসমীয়া নহ'লহেঁতেন? তেজপুৰত যিখন গোৰ্খালী হাইস্কুল স্থাপন কৰা হৈছিল তেতিয়া তাত শতকৰা ৯০ ভাগ নেপালী ল'ৰা-ছোৱালী আছিল। যেই ল'ৰা-ছোৱালী বিলাক ছবিলাল উপাধ্যায়ে মেখেলা ছাদৰ পিন্ধিবলৈ বাধ্য কৰাইছিল আৰু তেওঁলোকে তাক ব্যৱহাৰ কৰিছিল। তেওঁলোকে কিন্তু দাবী পি ধা নাছিল। গতিকে আজি আমাৰ অসমৰ বিভিন্ন জনগোষ্ঠী মজদুৰ, নেপালী, তাহানী পূৰ্ব পাকিস্তানৰ পৰা অহা মৈমনসিং সকলৰ মাজত অসন্তোষ্টিয়ে দেখা দিছে। তেখেত সকলে অসমীয়া ভাষা, অসমীয়া কৃষ্টি, সাংস্কৃতিৰ লগত মিলি যাব নোৱাৰাটো পৰিলক্ষিত হৈছে। তেওঁলোকৰ মাজত ভাঙনমুখী মনোভাৱে দেখা দিছে। আজি অসমলৈ যিসকল লোক বাহিৰৰ পৰা আহিছিল সেই সকলে কেনেও ভাবা লৈ অসমলৈ অহা নাছিল, তেওঁলোকে কৃষ্টি সাংস্কৃতিলৈ অহা নাছিল। কিন্তু তেওঁলোকে অসমৰ লগত মিলি যাবলৈ চেষ্টা কৰিছে।

আজি বড়ো সকলে কৈছে তেখেত সকল অসমীয়া নহয়। ('ভইচ'——— আপোনালোক অসমীয়া হয়নে নহয়?) যিসকল আজি কোচ ৰাজবংশী লোক তেওঁলোক অসমৰ পুৰণা অসমীয়া। অহোম ৰজাৰ দিনত যি সকল লোক বাহিৰৰ পৰা আহিছিল তেওঁলোকেহে আজি আচল অসমীয়া বুলি কব খোজে। তাৰ কাৰণে আজি বিভিন্ন জনগোষ্ঠীৰ মাজত অনৈক্যৰ ভাৱ বৃদ্ধি পাইছে। আমি অসমৰ বিভিন্ন জনগোষ্ঠীক একেলগে ৰখাৰ চেষ্টা কৰিব লাগে। মই এইখিনিতে এটি উদাহৰণ দিব বিচাৰিছো, অসমৰ ৰাজ্যপালে এক কমিউনিটি তৰফৰ পৰা এখন দৰখাস্ত দিয়া হৈছে যাৰ কপি অসমৰ মুখ্য মন্ত্ৰী মহোদয়লৈ পঠিওৱা হৈছে। উক্ত দৰখাস্ত এজন ৰাজনৈতিক নেতাৰ কাণ্ড কাৰখানাৰ কথা উল্লেখ কৰা হৈছে। আজি খৃষ্টান লোক সকলক 'তৰচাৰ' কৰা হৈছে বুলি আবেদনখনত অভিযোগ কৰা হৈছে। যদি এইটো সচা হয় তেনেহলে ই বৰ দুখৰ কথা হব। অসমত হিন্দু, মুছলমান, খৃষ্টান, বিভিন্ন ধৰ্মালম্বী লোক আছে চৰকাৰে সকলোকে সমান চকুৰে চাব লাগে। আজি অঃ গঃ পঃ চৰকাৰে এনেকুৱা এটি নীতি লৈছে যে যেন তেওঁলোকে এটি বিশেষ গোষ্ঠীৰ লোকহে ইয়াত সুবিধা পাইছে। আজি অসমৰ বিভিন্ন সম্প্ৰদায়, বিভিন্ন জনগোষ্ঠীৰ মানুহ আছে। এইবোৰ ক্ষেত্ৰত সকলোৱে সমান সুবিধা পাব লাগে। যোৱা বিধান সভাত চক্কাৰে স্কুল লোৱা বিষয়টোত আমাৰ ফালৰ পৰা যথেষ্ট সমালোচনা কৰা হৈছিল, সকলো সমষ্টিয়ে সমানে সুবিধা পোৱাৰ কাৰণে।

উপাধ্যক্ষ মহোদয়, যোৱা কালি ভেন্সাৰ স্কুলৰ ৭ হেজাৰ শিক্ষকে কৰা অনৰ্ষণ ভঙ্গ কৰিছে। আচৰিত কথা যে শিক্ষক মন্ত্ৰীয়ে বিবৃতি দিলে তাৰ কাৰণে চৰকাৰ দায়ী নহয়। এইটো অতি দুখৰ কথা। অঃ গঃ পঃ চৰকাৰে কংগ্ৰেছ (আই)ক তেওঁলোকৰ এক নম্বৰ শত্ৰু বুলি ভাবে, কিন্তু তেওঁলোকৰ সৰু ভাই 'আছু'য়ে কি কৰিছে? বিশ্বনাথ চাৰিআলিত হৈ যোৱা অধিবেশনত তেওঁলোকে সিধান্ত ললে যিবোৰ কাগজে-পত্ৰে ওলাই গৈছে। তেওঁলোকে কৈছে যে অসম চৰকাৰে বাইজৰ কাম কৰা নাই। বিশেষ কেইটামান সমস্তিহে কাম কৰিছে। যদি এনেকৈয়ে অঃ গঃ পঃ চৰকাৰে শাসন চলায় তেন্তে বৃহত্তৰ অসমীয়া জাতি কেতিয়াও গঠন কৰিব নোৱাৰে। যিখিনি ভাষা কৃষ্টি বিকাশ হৈ আছে সেইখিনিও সংকোচিতহে হব। সেইকাৰণে মই সাৱধান কৰি দিব খুজিছো যে অসমৰ ভাঙনমুখী শক্তিয়ে যাতে গা কৰি উঠিব নোৱাৰে তাৰ কাৰণে চৰকাৰ সচেষ্ট হব লাগিব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri CHARAN NARZARY—Hon'ble Deputy Speaker, Sir, I will speak only for few minutes because physically I am little indisposed. Debate on the Governor's Address is continuing. Participating in this debate I have to say something. Governor's address is prepared by the Government, this is not his personal preparation. What

has been said by the Governor in his address is the reflection on the attitude and policy of the State Government. There is nothing in the Governor's address for which we should be happy. This is a conventional system there is nothing new. So far as I am concerned, I stand for certain genuine causes of the people of the State, particularly the plains tribal people.

Without lingering my speech I want to put certain specific questions to the Hon'ble Chief Minister, Mr. Prafulla Kumar Mahanta. What about the problems faced by the tribals in the reserved forests? Will the Government be able to solve this problems? What steps have been taken by this Government to solve this burning problem? People are facing eviction, they are threatened with eviction notices not a small number, large numbers all over the State. This is an alarming cause of concern for us, it is not a matter of joy. If the Government is not able to solve this problem, I am not going to tell what might be the consequences; it is up to the Government to imagine. I am speaking with utmost sincerity of purpose, with all seriousness.

No. 2 What about the implementation of the provisions of the Chapter X, governing the tribal areas. Clause No. X is there in the Assam Accord. What steps have been taken by the Government to implement the provisions of the Chapter X of the Assam Land Revenue Regulation Act? We can say, nothing has so far been done by the Government towards the implementation of this Act. This is a problem, a burning problem for the plains tribal people. It is an issue which has been irritating the minds of the plains tribals for decades together. Where is the assurance of the State Government for implementation of the provisions of Chapter X as enshrined in the Assam Accord.

No. 3 What about the implementation of the Government Policy of education for various tribes of the State. Not to speak of the tribal education, even the general education, as we have seen, has failed. There has been no implementation of the scheme whatsoever by the Gov- Government Instead what we have seen is that there are so many anomalies everywhere in respect of education Sir, I am a member of the Elementary Education Board of Kokrajhar. I do not want to comment on the working style of the Board. If this is the State of affair

I do not know where we stand. There are lots of anomalies in appointments of L. P. School teachers. Some time back some L. P. School teachers have been appointed About 96 candidates were selected. I do not know whether the selection was done by the Elementary Board or by D. I. or by few members. But there were lots of noises particularly from the AGP ond AASU side. On 11th March Elementary Board meeting was held.

Fortunately or unfortunately, the President was not there of course. Some one was presiding over the meeting as acting president. The AASU boys gheraoed the meeting and demanded that the whole list of candidates must be cancelled outright within one hour or they will continue to gherao for indefinite period of time. I was sitting very silent, I did not open my mouth, because it is no use opening my mouth. The Chairman immediately drafted a resolution cancelling the entire list. Then D. I. posed a question as to whether the candidates who had already joined and submitted their joining reports, would also be affected. He was told that all would be affected by the cancellation of the 'whole list. What will happen if the candidates, who have already joined, go to the Court? "Let them do it, it is not our concern. We have to pacify these people the Chairman said. This is the working style. I do not like to elaborate further. This is what is happening. If things go like this, what can we expect? Later on the people outside were shouting that cancellation of the candidates list would not satisfy them. They demanded that the dicision must be read out before the gheraoing public. Then the committee Chairman decided to go out and read out the resolution. They had to concede to the demand. They wanted me to accompany them. But I did not go After a few minutes all were running back. They were in a helpless condition. The A.G.P. members then bolted the door from inside. The gheraoing people then started brick-bating, breaking of doors and windows. They started pelting stones on the glasses. Some pushed the legs through the holes. It was a chaotic condition. Then I asked some one to open the door. The door was opened. I asked the boys, এই ভাইটী হত কি কৰিছা। এইটো ভাল নহয়, বেয়া হৈছে। It is very bad. Then I left the place with Mr. Ganesh Boro, MLA. Sir, things are going like this, I think, every where. It is a very sad thing. Education Minister is not here. He should look into such things with concern.

Then Sir, what about the law and order situation. Everybody says, "We need progress, we want progress". The prime necessity for progress is maintenance of peace. But this peace is missing everywhere and particularly in my district, Kokrajhar. Some times the protector of law indulge in committing crimes as discussed last week with regard to alleged gang rape of girls by Police people in Kokrajhar District in the name of apprehending wanted culprits involved in certain criminal cases. But the over all law and order sitution in my district is anything but good. It is very bad. Hon'ble Home Minister knows it. But I want to tell him that following the suspension of the S. P., Kokrajhar, I have been receiving constant reports, there has been total demoralisation in the police set-up. I was searching Hon'ble Chief Minister, Home Minister, Chief Secretary, D.G.P. the other day, but none was available over telephone. I know, the Hon'ble Home Minister left for Delhi. But none of the important people was available at Dispur. I felt, Dispur is a vacuum. What can we do? Where we will go, whom to report and whom to tell of the situation. Sir, there has been a total demoralisation. Last night I rang up D.G.P. to know whether a new S. P. has been posted there at Kokrajhar. I was telling him that the district administration, police set-up should be geared up. This should be looked into.

I want to ask the Hon'ble Home Minister, dose he have the statistical reports from the District administration or the police of Korajhar as to how many murder cases are there, how many dacoity cases are there, how many rebbery cases are there, how many assault cases are there, how many intimidation cases are there? People are living there in the district fear-stricken, terror-stricken. There is complete chaos and anarchy and there is no co-ordination between the civil administration and police. Now with the change of police head if there is any co-ordination that is well and good. There was total lack of co-ordination and this fact was admitted by themselves. If this is the State of affairs, then what shall we do? There are so many things to tell, but the Hon'ble Deputy Speaker will not allow me to lengthen my speech.

My Congress (I) friends should not be offended when I say one thing. For deterioration of law and order situation in the Kokrajhar district so many forces are

actively working to utilise the dissatisfaction and the unrest of the youths to serve their own limited purpose. I do not know whether it has its string up to their [showing the Congress (I) benches] level. But the fact remains that in Kokrajhar district the local Congress (I) leadership is very much actively behind all this. I am not blaming you here; this string may come up to here or to Delhi. But the fact that the leadership in Kokrajhar district is actively behind this is beyond doubt. That is why I am asking the Congress (I) frieds not to get offended. (voice: what about UTLF ?) They are also demanding "divide Assam" 50 : 50. But then......

Mr. DEPUTY SPEAKER.—Your time is over.

Shri CHARAN NARZARY.—I am finishing. Now Sir, for all these, gangs of criminals have been created. Whether there is any politics or not I do not know, but the gangs which have been created will continue for any length of time and they will go on indulging criminal activities. I hope the Chief Minister and the Home Minister will look to this and see that law and order situation is improved there, in right earnest to ensure peace and security of the people. We are launching another phase of movement on 25th March next on demand of Udayachal. This is a 12-hour Rail Roko programme, completely peaceful and non-violent. (voices). This is our constitutional right to demand for creation of a union territory of Udayachal. For this deliberations are necessary. The problems may be sorted out for solusion through discussion. There is no problem under the Sun which cannot be solved.

With this Sir, I conclude.

শ্ৰীদেবেশ্বৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে এই পবিত্ৰ সদনত যি ভাষণ ৰাখিছে এই ভাষণৰ পৰিপ্ৰেক্ষিতত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই যি ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে মই তাক সমৰ্থন কৰিছো। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অসম চুক্তি ৰূপায়ণ, ওচৰচুবুৰীয়া ৰাজ্যৰ লগত সম্পৰ্ক অসমৰ অৰ্থনৈতিক উন্নয়নৰ সকলো দিশ প্ৰতিফলিত কৰিছে। ইতিমধ্যে মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা আৰু শ্ৰীদেৱ বৰা ডাঙৰীয়াই অসম চুক্তিৰ ওপৰত বহল দৃষ্টি ভঙ্গি দাঙি ধৰিছে। মই সেই বিষয়ত নাযাওঁ আমাৰ ওচৰচুবুৰীয়া ৰাজ্যৰ লগত সম্পৰ্কৰ বিষয়ে দুআষাৰ কব বিচাৰিছো। অসমৰ যিবিলাক ওচৰচুবুৰীয়া ৰাজ্য সেই ৰাজ্য বিলাকৰ লগত সীমা বিবাদ বহুত দিনৰ পৰা চলি আছে। এই সীমা বিবাদ নিষ্পত্তিৰ কাৰণে অসম চৰকাৰে যি ব্যৱস্থা লৈছে সি প্ৰশংসনীয় হৈছে বুলি কব বিচাৰিছো। তথাপিও এটা কথা কব লাগিব যে সীমা বিবাদ সম্পৰ্কে ৰাজ্য চৰকাৰৰ কোনো স্পষ্ট নীতি নাই। অসমৰ যি সীমা বিবাদ এই সীমা বিবাদ সম্পৰ্কে ৰাজ্য চৰকাৰে স্পষ্ট নীতি ঘোষণা কৰিব লাগে। সীমা মূৰীয়া অঞ্চলৰ উন্নয়নৰ কাৰণে চৰকাৰে আঁচনি ঘোষণা কৰিছে কিন্তু সীমা বিবাদ সম্পৰ্কে কোনো নীতি ঘোষণা কৰা নাই আৰু সেই ঘোষণা আমি বিচাৰিছো। সীমা

অঞ্চল উন্নয়ন হব লাগে বুলি এটা সাংবিধানিক দায়ীত্বও আছে ৰাজ্য চৰকাৰে সেই দায়ীত্ব পালন কৰা উচিত। আমি দেখিবলৈ পাইছো যে নগালেণ্ড অৰুণাচল, মেঘালয় সকলোতে সীমা বিবাদৰ সৃষ্টি হৈ আছিছে। এইখিনিতে কব লাগিব যে সত্তমা বিবাদ নিষ্পত্তি কৰা দায়ীত্ব কেন্দ্ৰীয় চৰকাৰৰহে। ভাৰতবৰ্ষৰ সংবিধানৰ অনুচ্ছেদ ৩ মতে কোনোবা ৰাজ্যৰ সীমা ক্ষেত্ৰত নিস্পট হলে কেন্দ্ৰীয় চৰকাৰে তাৰ মিমাংসা কৰিব লাগে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি নহাৰ কাৰণে আমি দুঃখিত হৈছো। ১৯৭২ চনত সুন্দৰম কমিচনৰ আধাৰত দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মাজত যি চুক্তি স্বাক্ষৰিত হৈছিল সেই চুক্তিৰ কথা অসম বিধান সভাক জনোৱা হোৱা নাছিল। গতিকে আজি আমি সেই চুক্তিৰকথা জানিব বিচাৰিছো। ১৯৬২ চনৰ সুন্দৰম কমিচনৰ ৰায় অসম চৰকাৰে মানি লৈছে কিন্তু নগালেণ্ড চৰকাৰে মানি লোৱা নাই। এই ক্ষেত্ৰত অসম চৰকাৰে কি ভূমিকা লব তাৰ স্পষ্টনীতি চৰকাৰে লোৱা বাঞ্চনীয়। ১৯৭৯ চনত সৰুপথাৰৰ চুঙাজান সম্পৰ্কে অসম আৰু নগালেণ্ড মুখ্যমন্ত্ৰীৰ মাজত যি চুক্তি সম্পাদিত হৈছিল সেই চুক্তিমতে অসমে সীমা পিচুৱাই আনিলে কিন্তু নগালেণ্ডে সেইটো নকৰিলে। অসমে মানি লৈ নিৰপেক্ষ ভাবে চি আৰ পি থাকিবলৈ দিলে কিন্তু অসমৰ নিৰৱতাৰ সুযোগলৈ নগালেণ্ডে অসমৰ মাটিতে বেদখল আৰম্ভ কৰিলে আৰু নিউলেণ্ড গঠণ কৰিলে। এই অৱস্থা আৰু আমি কিমান দিন সহ্য কৰিম। ১৯৮৫ চনত মেৰাপানীত যি ঘটনা ঘটিছে সেই ঘটনাৰ আলম লৈ দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি তাত বি এচ এফ নিয়োগ কৰা হ'ল। মেৰাপানীত ডিস্পটেড এৰিয়া বুলি কোৱা হল কিন্তু আচলতে দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মাজৰ চুক্তিত অৰ্থাৎ তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া আৰু চিতেন জামিৰৰ মাজত মেৰাপানীক ডিস্পটেড এৰিয়া বুলি ঘোষণা কৰা হোৱা নাছিল। চিজ ফায়াৰহে কৰিবলৈ কোৱা হৈছিল। সেই অঞ্চলত প্ৰবেশ কৰোতে বি এচ এফ বাহিনীয়ে অসমক বাধা দিছে কিন্তু নগালেণ্ডক উচৰ্টনি দি আছে। গতিকে এই বিষয়টোৰ অতি সোনকালে নিষ্পত্তি কৰিবলৈ মই মুখ্যমন্ত্ৰী আৰু গৃহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো। ইয়াৰ পিছত আমাৰ গৃহমন্ত্ৰী মহোদয়ে আজি কিছুদিন আগতে অৰুণাচললৈ যাওতে বাটত যি বিবৃতি দিলে যে যে "চুবুৰীয়া ৰাজ্যক অসমৰ মাটি এক ইঞ্চিও এৰি দিয়া নহয়" বুলি তাৰ কাৰণে তেখেত ধন্যবাদৰ পাত্ৰ।

আমি আশা ৰাখিছো আমাৰ গৃহমন্ত্ৰী ডাঙৰীয়াই অসম অৰুণাচল, অসম মেঘালয় আৰু অসম নগাৰাজ্যৰ আদিৰ ক্ষেত্ৰতো একে ধৰণৰ ভূমিক গ্ৰহণ কৰিব। ইতিমধ্যে আমি এটা কথা দেখাই পাইছো যে অৰুণাচলৰ মুখ্যমন্ত্ৰীয়ে এটা কথা কৈছে সেইটো 'টেলিগ্ৰাফ' বাৰ্তাৰ কাককতত প্ৰকাশ পাইছে

এইটো বৰ ডাঙৰ বাৰ্তাৰ প্ৰকাশ পাইছে। সীমান্ত অঞ্চল ৰক্ষা কৰিবৰ কাৰণে অৰুণাচলে গাওঁ বিলাকত অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰিছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰ সজাগ হব লাগিব। মেৰাপানী অঞ্চলত নগালেণ্ডৰ নিৰ্বাচনৰ সময়ত যি ঘটনা হৈ গল তাৰ প্ৰতি গৃহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। লগতে অনুৰোধ কৰিছো অসম চৰকাৰে যাতে ইয়াৰ প্ৰতিবাদ কৰে। মই আশা কৰিছো এই প্ৰতিবাদ কেন্দ্ৰীয় চৰকাৰকো জনাব লাগে। যোৱা ৪ জানুৱাৰীৰ ঘটনা যাতে আৰু মেৰাপানীত হবলৈ নাপায় মেঘালয়ৰ নিৰ্বাচনৰ সময়ত আমাৰ চৰকাৰৰ তৰফৰ পৰা যি ব্যৱস্থা লোৱা হল তাৰ আমি শলাগ লৈছোঁ। এতিয়া আমি গম পাইছো যে অলপতে মেঘালয়ৰ মুখ্য মন্ত্ৰীয়ে অসমৰ মুখ্য মন্ত্ৰীলৈ এখন চিঠিৰ যোগে জনাইছে যে তেওঁলোকে যি বিলাক ঠাইত নিৰ্বাচনী কেন্দ্ৰ পাতিব খুজিছিল সেইবোৰ বৈধভাৱেই পাতিব খুজিছিল।

উপাধ্যক্ষ মহোদয়, সীমান্ত অঞ্চল বা ওচৰ চুবুৰীয়া ৰাজ্য বিলাকৰ সন্দৰ্ভত মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যি খিনি কথা কৈছে সেই খিনি আমি অতি ভাল পাইছোঁ। ইয়াৰ পিচত অসম চৰকাৰে সীমান্ত অঞ্চলৰ উন্নয়নৰ কাৰণে গুৰুত্ব দিব বুলি আশা কৰিলোঁ। ইয়াৰ উপৰিও সুন্দৰম কমিটীৰ কথা ইয়াত উল্লেখ কৰা হৈছে। লগতে শাস্ত্ৰী আয়োগৰ কথাও ইয়াত কোৱা হৈছে। স্পষ্টভাৱে। ইয়াত কোৱা হৈছে যে অসম নগা ৰাজ্য সীমাৰ ক্ষেত্ৰত অসমে নিজৰ অধিকাৰ সাব্যস্ত কৰিব লাগে। তাৰোপৰি অসম পুলিচৰ কিছুমান দুৰ্বলতাৰ কথাও ইয়াত উল্লেখ কৰিশে, যি বিলাকৰ কাৰণে সেই সময়ত মেৰা-পানীত কিছুমান ঘটনা ঘটিবলৈ পাইছিল। তাৰ কাৰণেও কিছুমান 'মিছা'ৰ কথা ইয়াত উল্লেখ পানীত কিছুমান ঘটনা ঘটিবলৈ পাইছিল। তাৰ কাৰণেও কিছুমান 'মিজা'ৰ কথা ইয়াত উল্লেখ কৰিছে। আমি আশা কৰিছো এই শাস্ত্ৰী আয়োগৰ পৰামৰ্শৱলী গৃহ মন্ত্ৰীয়ে চাব আৰু অসম পুলিচৰ

দুৰ্বলতাৰ কাৰণে যি ভুল হল সেই খিনিৰ কাৰণে ব্যৱস্থা লব। সীমান্ত অঞ্চলৰ কাৰ্যণ চৰকাৰে টকা বেছি দিয়াত আমি ভাল পাইছো। মই ভাবো নন্‌প্লেনৰ টকা কাটি দিয়াতকৈ সীমান্ত অঞ্চলৰ কাৰণে ৰাজ্য চৰকাৰে সুকীয়া ভাৱে এটা পুজি কৰা ভাল হব। অসমৰ ওচৰ-চুবুৰীয়া ৰাজ্য বিলাকে সীমান্তৰ যি ৰাস্তা আদি আছে সেই বিলাকৰ উন্নয়নৰ কাৰণে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। আমি আশা কৰো আমাৰ চৰকাৰেও যেন এই বিষয়ত বিশেষ দৃষ্টি দিয়ে। কিন্তু আমি দেখিছো আমাৰ হেমাহিৰ কাৰণেই ১৯৮৫-৮৬ আৰু ১৯৮৬-৮৭ চনৰ পৰিকল্পনাৰ কাৰণে যি টকা ধাৰ্য্য কৰা হৈছিল সেই টকাৰ কাম হোৱা নাই। ১৯৮৫-৮৬ চনৰ ধনৰ কাম এতিয়াও শেষ হোৱা নাই। আকৌ ১৯৮৬-৮৭ চনৰ কামো পৰি আছে।

উপাধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ মেৰাপানীত যি ঘটনা হৈছিল সেই ঘটনাত ক্ষতিগ্ৰস্ত হোৱা লোকৰ কাৰণে ভাৰত চৰকাৰে ১·৪৫ কোটি টকা অনুমোদন দিছিল। কিন্তু দুখৰ কথা সেই টকা আজিও ক্ষতিগ্ৰস্ত লোকসকলে সম্পূৰ্ণকৈ পোৱা নাই। যোৰহাট আৰু গোলাঘাটৰ উপায়ুক্তৰ হাতত এতিয়াও হুৰুখিনি টকা আছে। মই অনুৰোধ কৰিছো এই টকাখিনি অতি সোনকালে সেই মানুহ খিনিক দিয়াৰ ব্যৱস্থা চৰকাৰে কৰেযেন। এইখিনিতে মই আৰু এটা কথা কব খুজিছো, অসমৰ সীমান্ত অঞ্চলৰ পথ বিলাক অতি জৰাজীৰ্ন অৱস্থাত আছে, এইবিলাক গড়কাপ্তানী বিভাগে অতি সোনকালে মেৰামতি কৰিব লাগে। আৰু কিছুমান অঞ্চলত যদিও মেৰামতি কৰিবলৈ লোৱা হৈছে এইটো বৰ হেমাহি হৈছে। তাৰোপৰি এই পথ বিলাকৰ ওপৰত যি বিলাক দলং আছে সেই দলং বিলাকৰ অৱস্থাও অতি জৰাজীৰ্ন। যদি কেতিয়াবা কোনোবাই এখন দলং জুলাই দিয়ে তেন্তে যাতায়তৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হয়। যিটো অৱস্থা মেৰাপানীৰ ঘটনাৰ সময়ত হৈছিল। সেয়ে আমি গড়কাপ্তানী মন্ত্ৰী মহোদয়ক এই বিষয়ত চকু দিবলৈ টানি অনুৰোধ জনালো।

অকনমান আগতে আমাৰ সদস্য শ্ৰীদেব বৰা ডাঙৰীয়াই কৈ গৈছে আৰু ময়ো কওঁ যে নগালেণ্ডৰ ফালৰ পৰা সীমান্ত অঞ্চলত বিজুলী বাতিৰ ব্যৱস্থা কৰা হৈছে কিন্তু অসম চৰকাৰৰ ফালৰ পৰা সেই ব্যৱস্থা কৰা হোৱা নাই। এতিয়া গোলাঘাটৰ মেৰাপানী অঞ্চলত যেতিয়া আমাৰ চৰকাৰৰ ফালৰ পৰা বিজুলী বাতি বহুৱাবলৈ ব্যৱস্থা কৰা হৈছে তেতিয়া নগালেণ্ডে বাধা দিছে। 'দিচ্‌পিউটেড লেণ্ড' বুলি। গতিকে এই কথাটো মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিলো যাতে অতি সোনকালে ব্যৱস্থা লয়।

এতিয়া আইন শৃংখলাৰ পৰিস্থিতিৰ বিষয়ে কওঁ যে আজি যোৱা দুটা বছৰে অসমৰ ৰাইজ অতি শান্তিত বাস কৰিছে। কৰবাত দুই এটা সৰু ঘটনা নোহোৱা নহয়। সেইটো আমিও বেয়া পাইছো কিন্তু সামগ্ৰিক ভাবে আইন শৃংখলাৰ পৰিস্থিতিৰ যথেষ্ট উন্নতি হৈছে। তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। যোৱাবাৰৰ ভূমকাৰ ঘটনাটোৰ কথা কোৱা হৈছে। সেই ঘটনাক আমিও আন্তৰিক ভাবে গৰিহণা দিছো। কিন্তু এইখিনিতে মই এটা কথা কওঁ অলপতে বোলে ভাৰতবৰ্ষৰ কোনোবা এজন মন্ত্ৰী এৰোপ্লেনেৰে আহি বাগডোগ্ৰাত নামি কোকৰাঝাৰত কিবা কথা কৈ গৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি ইতিমধ্যে সময়ৰ সংকেত দিছে যদিও মই আশা কৰিছে আৰু দুই মিনিতমান সময় কবলৈ দিব। মই সাধাৰণ প্ৰসাশনৰ ক্ষেত্ৰত দুটামান কথা কব বিচাৰিছো। ইতিমধ্যে অসম চৰকাৰে গোলাণ্টক জিলা আৰু মাইবঙক মহকুমা ঘোষণা কৰাত আমি আনন্দিত হৈছো আৰু ইয়াৰ কাৰণে চৰকাৰক ধন্যবাদ জনাইছো। প্ৰশাসনীয় ব্যৱস্থাৰ ক্ষেত্ৰত কোহলি আয়োগৰ প্ৰতিবেদন দাখিল কৰা হোৱা নাই গতিকে সেই প্ৰতিবেদনখন ইয়াত দাখিল কৰিব লাগে আৰু সেইমতে জিলা আৰু মহকুমাৰ কথা বিবেচনা কৰিবলৈ মই মূখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ইয়াৰ উপৰিও অসম লোক সেৱা আয়োগৰ ওপৰত দুটামান কথা কব বিচাৰিছো। ইয়াতে কৈছে যে ৰাইজৰ সুবিধাৰ কাৰণে আৰু নিয়োগৰ সুবিধাৰ কৰণে লোক সেৱা আয়োগৰ সদস্য সংখ্যা সভাপতিৰে সৈতে ছয়জনলৈ বৃদ্ধি কৰা হৈছে। কিন্তু কিছুমান কথা বাতৰি কাকতত ওলাইছে যি বিলাকে স্বজনপ্ৰীতিৰ কথা উল্লেখ কৰিছে আৰু সেই বিলাকে ৰাইজক বিভ্ৰান্ত কৰি তুলিছে। সেই বিলাক আজিৰ বাতৰি কাকততো ওলাইছে। ৰাজ্যিক শিক্ষা সংস্থাৰ পৰ্য্যালোচনা শীৰ্ষক বাতৰিকে। এইটোৰ প্ৰতিও মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি সদনত মোৰ এটা লিখিত প্ৰশ্নৰ উত্তৰ দিওঁতে মূখ্য মন্ত্ৰী মহোদয়ে কৈছিল যে অসম লোক সেৱা আয়োগৰ প্ৰতিবেদন এতিয়ালৈকে দাখিল কৰা হোৱা নাই। এইটো বৰ দুখৰ আৰু পৰিতাপৰ কথা যে ১৯৭১-৭২ চনৰ পিচত লোক সেৱা আয়োগৰ প্ৰতিবেদন

দাখিল কৰা হোৱা নাই। ৩২৩ অনুচ্ছেদ ২ ধাৰাৰ অধীনত আমি এই প্ৰতিবেদন পবিত্ৰ সদনত আলোচনা কৰিব পাৰো। সেই কাৰণে ১৯৭২ চনৰ পৰা ১৯৮৬-৮৭ চনলৈকে অসম লোক সেৱা আয়োগৰ প্ৰতিবেদন সদনত দাখিল কৰাৰ ব্যৱস্থা লবলৈকো মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ৰাজ্যপালৰ ভাষণত এই কথাৰ উল্লেখ নথকাৰ কাৰণেই আৰু বাতৰি কাকতত বাতৰি দেখা কাৰণেই উল্লেখ ৰাখিব খোজো যে এইটো পুনৰ গঠন কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ শিক্ষা বিভাগৰ ওপৰত এটা বহল বিশ্লেষণ দাঙি ধৰি যোৱা বছৰটোৰ অগ্ৰগতিৰ কথ জানাইছে যদিও শিক্ষা মন্ত্ৰী বৰ্ত্তমান উপস্থিত নাই যদিও ৰাজিক্য শিক্ষা মন্ত্ৰী আছে, তেখেতকে জনাব খুজিছো যে অসমৰ যিবিলাক জুনিয়াৰ কলেজ আছে সেই বিলাকৰ ক্ষেত্ৰত এটা সুস্পষ্ট নীতি লব লাগে। অসমৰ ৭২ খন জুনিয়াৰ কলেজ আছে সেই বিলাকৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ হৈ আছে। সেই কাৰণে সেই ক্ষেত্ৰত এটা সুস্পষ্ট নীতি লোৱাৰ কাৰণে মই চৰকাৰৰ ওচৰত ৰাজ্যিক শিক্ষা মন্ত্ৰীৰ জৰিয়তে অনুৰোধ ৰাখিলো। ইয়াৰ উপৰিও সাংস্কৃতিক পৰিক্ৰমাৰ ক্ষেত্ৰত যি ব্যৱস্থা লৈছে তাৰ কাৰণে ভাল পাইছো। অসমৰ বাবেৰহণীয়া সংস্কৃতি ৰক্ষাৰ কাৰণে সাংস্কৃতিক পৰিক্ৰমাৰ ক্ষেত্ৰত জোৰ দিয়া উচিত। ইয়াৰ কাৰণে আৰু এটা সংগ্ৰালকালয় খোলাৰ কাৰণে ব্যৱস্থা লব লাগে। পাহাৰ ভৈয়াম আৰু জনজাতিৰ বিভিন্ন কলা-সংস্কৃতিৰ কাৰণে বিকাশৰ আৰু প্ৰচাৰৰ ব্যৱস্থা ইয়াৰ দ্বাৰা হাতত লব লাগে। তাৰোপৰি সংকৰী কলা-কৃষ্টি বিকাশ আৰু প্ৰচাৰৰ কাৰণেও বেলেগে ব্যৱস্থা লোৱাৰ প্ৰয়োজন আছে। অসম সাহিত্য সভাইও মুকুলি ভাবে এই ক্ষেত্ৰতচৰকাৰৰ প্ৰতি আহ্বান জনাইছে আৰু সেইভাবে চৰকাৰ আগবাঢ়ি অহি আমাৰে বাবেৰহণীয়া সংস্কৃতিৰ প্ৰকৃত মূল্যায়ণ আৰু প্ৰসাৰ তথা প্ৰচাৰত গুৰুত্ব দিবলৈ কাৰ্য্যকৰী ব্যৱস্থা অতি সোনকালে লব লাগে।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, এইখিনিকে বক্তব্য ৰাখি আৰু দুই মিনিত কবলৈ দিয়া কাৰণে আপোনাক ধন্যবাদ জনাই মোৰ বক্তৃতাৰ সামৰ্থণি মাৰিলো।

শ্ৰীআব্দুল জলিল ৰাগিবী :— উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভষাণৰ ওপৰত সদনত যি বিতৰ্ক চলি আছে সেই বিষয়ে ইতিমধ্যে ভালেকেইজন সদস্যই ৰাজ্যপালৰ ভাষণ সমৰ্থন আৰু বহুতে সমালোচনাও কৰি নিজৰ নিজৰ বক্তব্য আৰু মন্তব্য দাখিল কৰিছে আৰু বিভিন্ন বিষয়ক আলোচনাও হৈছে কাৰণে ভাল পাইছো। প্ৰশসন সম্পৰ্কীয় আলোচনা, অসমত এটা শান্তিপূৰ্ণ পৰিবেশ বিৰাজ কৰা ইত্যাদি বিষয়ে আলোচনা সমালোচনা কৰা হৈছে। বিৰোধী পক্ষৰ পৰা বিভিন্ন সদস্যই নিজৰ নিজৰ বক্তব্য দাঙি ধৰিছে। সেই বিলাক কথা পুনৰ বাৰ আলোচনা কৰিবলৈ নাযাওঁ। মই মাত্ৰ কেইটামান গুৰুত্বপূৰ্ণ কথা যি কেইটা ইয়াত আলোচনা কৰা হোৱা নাই তেনে কথাহে আলোচনা কৰিব বিচাৰিছো। প্ৰথম কথা হৈছে মাননীয় ৰাজ্যপাল চাহেবে নিজৰ ভাষণৰ প্ৰথম ভাগতে অসম আন্দোলনৰ সময়ত যি বিলাক মানুহৰ ওপৰত ফৌজদাৰী মামলা তৰা হৈছিল সেই বিলাক মোকৰ্দমা প্ৰত্যাহাৰ কৰা হৈছে, বুলি উল্লেখ কৰিছে আৰু এটা সমীক্ষা দাঙি ধৰিছে প্ৰায় বিশ হাজাৰ মোকৰ্দমা এতিয়ালৈকে প্ৰত্যাহাৰ কৰা হৈছে বুলি। আজি এটা কথা আমি চিন্তা কৰিবলগীয়া হৈছে যে সেই সময়ত অসমৰ বিভিন্ন মানুহৰ বিৰুদ্ধে মকৰ্দমা তৰা হৈছিল। সেই মানুহ বিলাকৰ মাজত ভাষিক সংখ্যালঘু, ধৰ্ম্মীয় সংখ্যালঘু আৰু অন্যান্য জাতি উপজাতিৰ লোকো আছে। কিন্তু দুখেৰে উল্লেখ কৰিবলগীয়া হৈছে যে এতিয়ালৈকে যিবিলাকৰ মোকৰ্দমা প্ৰত্যাহাৰ কৰা হ'ল, আৰু বিশেষ বিশেষ বিধায়ক সকলৰ তত্বাৱধনাত অন্যান্য মানুহৰ বিৰুদ্ধে থকা বাকী মোকৰ্দমা বিলাক প্ৰত্যাহাৰ কৰাৰ কাৰণে যি ব্যৱস্থা কৰা হ'ল, অনুসন্ধান কৰি দেখা গৈছে যে আন্দোলনকাৰী সকলৰহে মোকৰ্দমা বিলাক প্ৰত্যাহাৰ কৰা হৈছে,ভাষিক আৰু ধৰ্ম্মীয় সংখ্যালঘু সকলৰ বিৰুদ্ধে থকা মোকৰ্দমা বিলাক প্ৰত্যাহাৰ কৰা হোৱা নাই। নেলী ,বৰবৰী ,চাউলখোৱা আদি ঠাইত নিৰপৰাধ লোকক হত্যা কৰা হৈছিল, আবাল-বৃদ্ধ বনিতাক ইত্যাদি কৰা হৈছিল । তেওঁলোকে আনৰ ঘৰত জুই দিবলৈ যোৱা নাছিল অথবা আনক হত্যা কৰিবলৈ যোৱা নাছিল যদিও তেওঁলোকৰ বিৰুদ্ধেই আকৌ মোকৰ্দমা কৰি থকা হৈছে। তেওঁলোক ঘৰতেই অগ্নিসংযোগ লুটপাত কৰা হৈছিল অথচ তেওঁলোকৰ বিৰুদ্ধেই মোকৰ্দমা এতিয়াও আছে। অসম গণ পৰিষদ চৰকাৰে নতুন চিন্তা ধাৰাৰে সেই বিলাক মোকৰ্দমা প্ৰত্যাহাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। এই বৈষম্য মূলক আচৰণ কৰিব নালাগে। এই বৈষম্য মূলক নীতি চৰকাৰে লৈ থকাতো ভাল পোৱা নাই। আমাৰ মুখ্য মন্ত্ৰী মহোদয়

বৰ্তমান সদনত নাই যদিও গৃহ মন্ত্ৰী মহোদয় উপস্থিত আছে। মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু এই ক্ষেত্ৰত এটা মানৱীয় দৃষ্টিভঙ্গী লবলৈ অনুৰোধ কৰিছো।

এই মাননীয় মুখ্য মন্ত্ৰী আৰু গৃহ মন্ত্ৰী মহোদয়ে চিন্তা কৰা উচিত যে সংখ্যালঘুৰ ওপৰত যিবিলাক মোকৰ্দমা কৰা হৈছিল সেই বিলাক মিছাই ষড়যন্ত্ৰ কৰি তেওঁলোকৰ ওপৰত দুৰাশাস্তি কৰা হৈছিল। অগ্নি সংযোগ, লুণ্ঠন কৰিবলৈ যোৱা যিবিলাক লোক আছিল সেই বিলাকৰ ওপৰত থকা গোচৰ সমূহ চৰকাৰে প্ৰত্যাহাৰ কৰিছে কিন্তু যিবিলাক নিৰীহ, নিষ্পাপ লোক মিছা অপৰাধত মোকৰ্দমাৰ লগত জড়িত হৈছিল সেই বিলাকৰ ওপৰত থকা গোচৰ সমূহ চৰকাৰে প্ৰত্যাহাৰ কৰা নাই। আমাৰ ৰাজ্যপালৰ ভাষণত এই বিলাক কোনো কথাই উল্লেখ নাই। ৰাজ্যপাল মহোদয়ে অসমৰ সকলো শ্ৰেণীৰ ৰাইজক সমান চকুৰে চোৱা উচিত। প্ৰত্যেক সম্প্ৰদায়, প্ৰত্যেক ভাষা আৰু প্ৰত্যেক জনগোষ্ঠীৰে ৰাজ্যপাল তেওঁ আৰু প্ৰত্যেকৰে সমস্যা সমূহৰ কথা তেওঁ চিন্তা কৰা কৰ্তব্য। কিন্তু চৰকাৰে বিশেষ এক শ্ৰেণীৰ সম্প্ৰদায়ৰ কথা ভাবছে আৰু আন বিলাকৰ সমস্যাৰ বিষয়ে স্পষ্ট ভাবে চকু মুদি আছে। ৰাজ্যপাল মহোদয়ৰ বক্তব্যত আমি দুখ পাইছো। গতিকে ৰাজ্যপাল মহোদয়ৰ ভাষণৰ কৃতজ্ঞতা জ্ঞাপন কৰাতকৈ তেওঁৰ ভাষণৰ ওপৰত নিন্দাসূচক প্ৰস্তাৱ লবলৈ মই সদনত প্ৰস্তাৱ কৰিছো। দ্বিতীয়তে ৰাজ্যপালৰ ভাষণত দ্বিতীয় পেৰাত উল্লেখ কৰা মতে, আন্দোলনকাৰী সকলৰ যি সকল নিৰ্য্যাতিত হৈছিল আৰু এ, জি, পি আৰু আছুৰ [illegible] যি সকল [illegible] হৈছি[illegible] শ্বহীদ হৈছিল আৰু এ, জি, পি আৰু আছুৰ সমৰ্থন কৰা যি সকল লোক নিহত হৈছিল সেই সকলক শ্বহীদ বুলি ঘোষণা কৰিছিল আৰু সেই পৰিয়াল সকললৈ ৩০ হাজাৰ টকা সাহায্য আগবঢ়াইছে। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা সেই নিৰ্য্যাতিত পৰিয়াল বিলাকে ২০ হাজাৰ টকাকৈ সাহায্য আগবঢ়াব বুলি কাগজ-পত্ৰৰ জৰিয়তে জানিবলৈ পাইছো। উপাধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে ১৯৮৩ চনৰ আন্দোলনৰ সময়ত অসমৰ বিভিন্ন এলেকাৰ বিভিন্ন ঠাইত মনাহ বা বিভিন্ন স্তৰৰ মানুহ ক্ষতিগ্ৰস্ত হৈছিল, নিৰ্য্যাতিত হৈছিল আৰু নিহত হৈছিল। কিন্তু বিশেষ এক গোষ্ঠীৰ মানুহৰ প্ৰতি চৰকাৰে সহানুভূতি প্ৰদৰ্শন কৰি আহিছে। আজি মই প্ৰশ্ন কৰিব বিচাৰিছো নেলী, বৰবৰী, চাউলখোৱা আদি ঠাইত যিবিলাক নিৰীহ নিষ্পাপ কণ কণ লৰা-ছোৱালী মাইকী মানুহ, বয়সস্থ বৃদ্ধ মানুহক হত্যা কৰা হ'ল সেইবিলাক লৰা-ছোৱালীক, সেই বিলাক মহীলাক যি সকলে হত্যা কৰিছিল আৰু সেই বিলাকৰ ঘৰত অগ্নি সংযোগ লুণ্ঠন কৰিবলৈ যিবিলাক মানুহ গৈছিল সেই বিলাক মানুহকে চৰকাৰে সাহায্য আগবঢ়াইছে। আৰু নেলী, বৰবৰী, আৰু চাউলখোৱা আদি ঠাইত যিবিলাক মানুহক হত্যা কৰা হল সেই বিলাক মানুহৰ পৰিয়ালে ৩০ হাজাৰ কিয় ৩০ পইচাও চৰকাৰৰ পৰা পোৱা নাই। বা চৰকাৰে দিয়া নাই বা দিয়াৰ কথাও চিন্তা কৰা নাই। ইয়াতকৈ আৰু বৈষম্য মূলক নীতি কিবা হব পাৰেনে? আমাৰ ৰাজ্যপাল মহোদয়ে অতি গৌৰৱে উত্থাপন কৰিছে যে শ্বহীদ পৰিয়াললৈ সাহায্য আগবঢ়োৱা হৈছে। (সেই বিলাক বোধহয় বিদেশী-স্বৰ) বিদেশী যদি তেতিয়াহলে আইদেনটিফাই কৰি তাৰ প্ৰকৃত সংখ্যাটো জনাই দিয়ক। ৩০ লাখ ৪০ লাখ বিদেশী আছে বুলি আন্দোলন কৰিলে, আজি আঢ়ৈ বছৰ পাৰ হৈ গল ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত ৮০ হাজাৰ গোচৰ ট্ৰিবিউনেলত নিষ্পত্তি হল বুলি জনাইছে, আৰু বিদেশী আইনৰ জৰিয়তে প্ৰায় ৩ লাখ লোকৰ বিষয়ে নিষ্পত্তি হল বুলি কৈছে কিন্তু আজিলৈকে এটা মনাহো বহিস্কাৰ কৰা হৈছে বুলি ভাষণত উল্লেখ নাই। কিমান জন মানুহক আপোনালোকে বহিস্কাৰ কৰিব পাৰিছে। বিদেশী বুলি কৈ শ্বহীদ বুলি ঘোষণা নকৰা কথা কোনো পধ্যেই স্বীকাৰ কৰিব নোৱাৰি। এই কথটো অত্যন্ত বৈষম্য মূলক আৰু নিন্দনীয় হৈছে। অথচ নেলী বৰবৰী আৰু চাউলখোৱাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। আৰু উল্লেখ নথকাত আমি অত্যন্ত দুখ পাইছো আৰু মৰ্মাহত হৈছো। ৰাজ্যপালে সকলো শ্ৰেণীৰ মানুহকে সমান চকুৰে নোচোৱাৰ কাৰণে আৰু এই বিলাক তেখেতৰ ভাষণত নথকাৰ কাৰণে দুখ প্ৰকাশ কৰাৰ লগতে তেখেতৰ ভাষণৰ ওপৰত মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ ডাঙি ধৰিছে তাৰ সম্পূৰ্ণ বিৰোধীতা কৰি মই মোৰ বক্তব্য ইমানতে সমাৰিলো।

Shri ALTAF HUSSAIN MAZUMDAR.—Mr. Deputy Speaker, Sir, I take my stand to support the amendment motion moved by Hon'ble member Shri Golak Rajbanshi. Sir, the Governor has stated in his address that the most priority his Government has continued to give to the historic Assam Accord. We also feel that the highest priority should be given to the Assam Accord. Sir, you are aware that the Accord was signed at the time and initiative of the Congress. The Congress took it to the people that we support the Accord and that the Accord should be implemented. And the Accord was signed at that time by the then President of AASU, now the Chief Minister, Shri Prafulla Kr. Mahanta, and the then General Secretary, Shri Bhrigu Kr. Phukan, the present Home Minister, and Shri Biraj Kr. Sarma, the Convenor of AASU. Sir, to-day the very issue is that the signatories of this Accord publikly and openly are stating that this Government is not sincerely implementing the Accord. Sir, you are also aware that this Government is not sincere to implement the Accord, and we also say the same thing that this Government is not implementing the Accord. The Government must take it very seriously' because, to-day the Hon'ble Chief Minister and the Home Minister is a product of AASU and they have the responsibility to AASU also. I will now particularly refer to para 4 of the Accord and para 4 of the Accord indicates that keeping all aspects of the problems of constitutional. legal and humanitarian consideration. Here, it has been decided to give humanitarian consideration.

Sir, one of the basic things is the humanitarian consideration. We expected that with the signing of the Accord, this agitation will bring peace, harmony and prosperity to all Sec tions of the people of the State. But what we find today is quite contrary to that. This Government is trying to give its own burden on the Central Government day in and day out, but Sir, in this way no useful purpose will be served. This Government has a special responsibility to tell its people what this Accord is and how they are sincere in implementing them But instead of doing that, they are blaming the Central Governtment day in and day out. It cannot be denied that the implementation of the accord will drive away nearly 70 to 80 lakhs of people from Assam and when these people will be driven out from the State naturally much problems will be solved. More houses will be available and more people will be

available and more people will be economically benefited. But, Sir, what this Government has been doing ? Sir, this Government is collecting figures which are incorrect. They are giving one fi gure today and another figure tomorrow. In this House itself Government have come with controvertial figures Today, Government have quoted certain figures in connection with answer to a question, which differ with th fi gures they have quoted earlier. Then, Sir with regard to the question of I. M. D. T. Act, this Government is always blaming that due to the slow and cumbersme process of the IMDT Act, 1983, progress of the work is hindered. But, Sir, IMDT Act,. has got nothing to do with stream of people coming before 1971. The Government is unnecessarly making the entrire issue more complicated. It has got nothing to do with the IMDT Act. Sir, what Mr. Rajiv Gandhi has made in this Accord was long before given by Late Indira Gandhi. It is a charter of protection of the minority. The defacto Indian citizens have been made de-jure citizens up to 1971. So, sir, this was given long back. This accord was singed by our Hon'ble Members and Hon'ble Ministers. We have said this long back. Sir, according to the Accord, there was no commitment on the part of the Government of India to amend the IMDT Act. No-where in the Accord Government of India has made such commitment that I. M. D. T. Act. will be amended. Sir, what the Government of India has said is that Government will give due consideration with regard to the implementation of the Illegal Migrants if any diffculty arises. Sir, everyday when we put questions before this House, then the Government comes up with the reply that 'due consideration will be given on the points raised by the Hon'ble Members. Therefore, sir, does it mean on the part of the Govarnment that they have made the commitment while giving the reply also that' due consideration will be given.' So, on this issue also Government of India has made no commitment to amend the IMDT Act. It is not the correct position. It is rather misleading. Then, Sir, with regard to the special status to be given to Assam like that of Kashmir, I do not find in the Accord there is any such commitment on the part of the Government of India. Simply, it is mentioned in the Accord that Government of India will try its best to preserve consitutionally the cultural heritage of the people of Assam. But nowhere any such commitment has been made to give a special status

to Assam like that of Kashmir. Then, Sir, recently Mr. Buta Singh has also made a statment with regard to this issue. He has stated that Government of India has made no such commitment. It is also understood that Government of India is sending a detailed note to the State Government regarding the various steps taken by the Government of India with regard to the Accord. I hope this Government will place the same before the House for our information. Therefore, sir, this Government must tell the people about the correct position They should go to the people and explain the position instead of giving the blame to the Central Governtment. Then, Sir, with regard to the Central allocation in the 7th Plan, it is also stated that Government of India is not giving the money to the State Government. But this is all trash. In the 7th Plan out of the total amount of 2 thousand 1 (one) crore, Central Government has given 2thousand 65 crores and the State Government's contribution is only 45% If Assam does not mobilise its own resources, it cannot be helped every time by saying that the Government of India is not giving money; therefore, nothing could be done. I am not saying this of my own. Record is there to show that this Government is blaming the Government of India every time in this manner. So, what I was telling that upto 1971 the IMDT Act does not apply. After 1971 IMDT Act applies. This IMDT Act was in existence before the Assam Accord was signed. It was before the eyes of those who signed the Agreement. Why did not you specifically mention then that a particular clause need to be amended. After all, it is your document. You should have gone through it properly at that time. It has neither been signed by Shri Atul Bora nor by Shri Pabin Deka nor by Shri Thaneswar Boro. Then how this Government... ..(interruption)... ..

Shri SURENDRA NATH MEDHI (Minister).—Sir, is the Hon'ble member opposing the Assam Accord?

Shri ALTAF HUSSAIN MAZUMDAR.—I am not opposing the Assam Accord. We support the Assam Accord. It should be implemented and we want there should be no harassment to Indian Citizen. We want that this Accord should not be made an instrument of oppression to the minorities and other people of Assam. Let the people who came after 1971 be declared as foreigners.

Nobody is debarring you from doing this. But what I want to say, is this Government sincere to this Accord Because, there are 3 members of the Cabinet who did not accept this Accord. I have quoted their statement made in public on other occasion. This time also I am repeating it because this has never been contradicted. Sir, in 1986 these three Hon'ble members who are the members of the Cabinat, Shri Pabin Deka, Shri Thaneswar Boro and Shri Atul Bora, they all said that this Accord was useless. Therefore, I say how you can go for its implementation when you have no faith in the Accord. I quote the exact words said by Shri Thaneswar Boro অসম চুক্তি ব্যাৰ্থ হৈছে। He has not supported it...(interruption)

Shri SURENDRA NATH MEDHI (Minister). -On a point of clarification, Sir. Was it made after he became a Minister ?

Shri ALTAF HOSSAIN MAZUMDAR.—Till today he has not contradicted it. There are some people in this Cabinet whom I respect because there are atleast these three Hon'ble gentlemen who could express freely their opinion. The point I am trying to make here is that there are people in the Cabinet who do not subscribe to this Accord. Perhaps these gentlemen became Ministers later on. But fact remains that they are not supporting the Accord. Their views are very clear. Shri Thaneswar Boro said অসম চুক্তি ব্যাৰ্থ হৈছে। Shri Atul Bora said অসম চুক্তি অসম আন্দোলনৰ করুণ পৰিনতি। It is a tragic end of this agitation. Similarly Shri Pabin Deka said that it is of no use (voice—Under Rule 279A no alilegation of a defamatory or incriminatory nature shall be made.... ...) It is not at all a defamation. Now, Sir, we cannot drive out people taking the shelter of IMDT Act. The Governor has said in his Address that 2,47,981 enquiries under the Foreigners' Act have been completed. But out of this how many have been detected as foreigners has not been mentioned by the Governor. Why this omission ? Why the Governor had no courage to say that out of 2,47,891 cases, say so many have been detected as foreigners. That means you are concealing the facts from the public You will find that out of over 5 lakhs of people investigations were conducted for a little over 4 lakhs of people and the cases numbering 3,432 have been referred to Tribunals for determination. So, is it not harasment ? You

are questioning 5 lakhs of people and out of that you have picked up 3,432 cases for determination by Tribunals. And, all these you are doing before the amendment of IMDT Act. How the IMDT Act is standing on your way, it is not known. Next Sir, the individual who will submit complaint must hail from the same police station. How many cases have been referred to by individuals. To my knowledge not a single case has been submitted by an individual. It is not the duty of the individual to lodge cases. It is the Government who are to lodge cases. If I remember aright, the Home Minister himself has stated that the Government can go ahead in detecting foreigners without the IMDT Act. So, Sir, it is only a plea and every time people of Assam are confused that the Government of India is standing on tke way of implematation of Assam Accord. So, Sir, about the detection and deportation of foreigners we want to know the real position. The position, it seems, is anomalous. Let the Home Minister or the Chief Minister explain to us clearly the position and how the Government of India is standing on the way of implementation so that if necessary we can take the matter with the Government of India Regarding selction of site for IIT Assam Government is yet to make up its own mind. They are taking much time. They were finding one site after another. Governor has also mentioned in his address that Rs. 20,000 have been paid to each member of a family who had been killed or lost his life during agitation period. Let the Chief Minister make it clear as to who are those people who had been killed or lost their lives during the agitation and whether those people who lost their lives in self-defence are also entitled to get their ex gratia payment of Rs. 20,000. Because under I.P.C. every person has the right to protect himself or his property. Let the Government make it clear if they are also entitled to get this payment. If they are entitled definitely we will have a scope to take up the cases with the Government of India.

Sir, this Government is destroying the process of democracy in the State. This is a charge against this Government. It is about 2½ years now, this Government has not prepared itself to come forward for the Panchayat election in the State. Their life is 5 years, and almost half the term has elapsed When they will hold the panchayat election? Whenever we put the question, they say, "Chali Jari Chaiso"

